চান্দমামা

জানুয়ারি ১৯৭৬




সোৱাদলগা, মজালগা
কোকোনাকা কুকীজ্
আচল নাৰিকলেৰে প্ৰস্তুত
- কৃত্ৰিম সোৱাদেৰে নহয়!
নিউট্ৰিন
কোকোনাকা
কুকীজ্
nutrine
nutrine COCONUT COOKIES
Visesh/M/NCC/Asm/02

মাতৃসকল!

এতিয়া মন কৰিলেই

পোলিঅ' নোহোৱা কৰিব পাৰে

শ্ৰীগণেশ বুক ষ্টল

PULSE POLIO IMMUNIZATION

DECEMBER 9, 1995
JANUARY 20, 1996

৯ ডিছেমবাৰ আৰু ২০ জানুৱাৰি

এই দুটা দিন— পোলিঅ'-নিৰোধক দিন
হিচাপে ঘোষিত।

আপোনাৰ শিশু-সন্তানক ইতিমধ্যে নিশ্চয় ছিটা দিয়ালে।
কিন্তু সুনিশ্চিত সুৰক্ষাৰ বাবে দ্বিতীয়বাৰলৈ
ওচৰৰ পোলিঅ' কেম্পলৈ গৈ

৯ ডিছেমবাৰ আৰু ২০ জানুৱাৰিৰ দিনা
তিনি বছৰীয়ালৈকে শিশুহঁতক পুনৰ ছিটা দিয়াওক।

সুস্থ শিশু— দেশৰ ভৱিষ্যৎ।

২০০০ চনৰ ভিতৰত
পোলিঅ' মুক্ত ভাৰত
নিৰ্মাণত
আপুনিও যোগদান কৰক।

PolioPlus

পোলিঅ'প্লাছ

৯ ডিছেমবাৰ ১৯৯৫

২০ জানুৱাৰি ১৯৯৬

মনত ৰাখিব

এই দুই দিন

আপোনাৰ মৰমৰ সন্তানৰ

সুৰক্ষাৰ দিন

ANNOUNCING THE

The first six books, splendid in their content, press, marking the Golden Jubilee of Chanda



A novelette on three lads befriending an unusual stranger – and their strange adventure, in a village turned into an island by flood.



A fairytale novella opening up into fascinating worlds and introducing gripping characters – rich with 42 imaginative illustrations.



A second selection of stories from the immortal Jatakas, unforgettable for their moral, wit, and wisdom.

How to get the books at an easy price.

If you are a subscriber to Chandamama (in any language) between the ages of 6 and 16, you are eligible to the membership of the Chandamama Young Scholars' Club. If you subscribe to Chandamama (in any language) before May 1996, the offer is open to you. You can fill up the form given here on the right side and mail it to us, while sending a token fee of Rs. 50. either by M.O. or by a bank draft drawn in the name of CHANDAMAMA YOUNG SCHOLARS' CLUB. You can then order all or any number of these books at much less than their original price. You get a handy gift of a School Companion Note Book and a decent badge.

What is more, you can participate in talent contests and different activities which the Club proposes to hold in the future.

CHANDAMAMA Young Scholars' Club

CHANDAMAMA BOOKS

llustrations and production–are soon to roll out of the nama. Written by: Manoj Das. Illustrated by Sisir Datta

A selection of legends and parables, some of which are believed to have been narrated by the Buddha, their radiance even now undiminished.



A garland of gems from the great treasure of India's folklore and ancient fiction. Each story has a message, as relevant today as it was ever before.



An invitation into the delightful world of ancient tales, legends and parables. Each story enriches us with prudence and helps us understand life better.

MEMBERSHIP FORMALITIES WILL BE PROCESSED ONLY BY END OF FEBRUARY 1996.

Dear Sir,

Please enrol me a member of the Chandamama Young Scholars' Club.

My Chandamama subscription No. is..............................

I am sending my Membership fee of Rs. .... by M.O./Draft.

I look forward to my acceptance - gift.

Full Name : .... Signature

Name of Parents : ....

Mailing Address : ....

Permanent Address : ....

Date of Birth : ....

Class : .... School..

The genie of the Magic Lamp
is delighted with the MORTON SWEETS Stamp
Your favourite Arabian Nights fairy tales and Morton sweets. A family favourite for generations. Delicious and yummy in so many flavours. All with the goodness of Creamy Milk, Glucose and Sugar. Chocolate and Coconut Cookies, Rose Eclairs, Supreme Chocolate, Coffee Plus and Coconut Toffees, Lacto Bonbons, Mango King and so many other delicious treats.
Um m m m. Every bite a yummy delight.
A lifetime of real goodness.
MORTON CONFECTIONERY & MILK PRODUCTS FACTORY
P.O. Marhowrah 841 418,
Dist. Saran, Bihar
MORTON SWEETS
CC/M-2/95
Caution Notice
MORTON and its wrappers are registered trade mark of Upper Ganges Sugar & Industries Ltd. Any infringement of trade mark rights is liable to prosecution

A CHANDAMAMA PUBLICATION

চান্দমামা

সংস্থাপক : চক্ৰপাণি সঞ্চালক : বি নাগিৰেড্ডি

নৱ-শতিকাৰ নৱ-জ্যোতিলৈ

এই বাৰ 'নতুন বছৰৰ' সলনি 'নতুন শতিকা'ৰ চিন্তা কৰা যাওক। অহা চাৰিবছৰৰ অন্তত বিংশ শতিকালৈ আমি বিদায় জনাব লাগিব আৰু আহ্বান জনাব লাগিব একবিংশ শতিকালৈ। ১৯৯৯ চনৰ ৩১ ডিচেম্বৰৰ দিনা আমি এই আশা পালি থাকিম যে আগন্তুক নৱ-শতিকাই আমালৈ কঢ়িয়াই আনিব অধিক সুখ শান্তি আশ্বাস আৰু মানৱসমাজৰ প্ৰতি অধিকতৰ বিশ্বাস, যি-বিশ্বাস—প্ৰধানকৈ—পৃথিৱীত আৰু যুদ্ধ নোহোৱাৰ বিশ্বাস আৰু আশ্বাস।

বিগত শতাব্দীত পৃথিৱীয়ে দুখন বিশ্বযুদ্ধ প্ৰত্যক্ষ কৰিলে, যি বিশ্বযুদ্ধত প্ৰত্যক্ষ বা পৰোক্ষভাৱেও পৃথিৱীৰ ক্ষুদ্ৰ-বৃহৎ সকলো জাতিয়েই সাঙোৰ খাই পৰিছিল। প্ৰথম বিশ্বযুদ্ধকালত আমাৰ দেশ ভাৰতবৰ্ষ আছিল বৃটিছৰ অধীন আৰু সেইহে সেই বিশ্বযুদ্ধত ভাৰতবৰ্ষই বৃটিছৰ হৈ সাঙোৰ খাই পৰিবলৈ বাধ্য হৈছিল। দ্বিতীয়খন বিশ্বযুদ্ধৰ কালতো ভাৰতবৰ্ষৰ অৱস্থা একেই হৈছিল, যদিও তেতিয়া মহান নেতা গাঁধিজীৰ (গান্ধীজী) মহৎ নেতৃত্বত ভাৰতবাসীয়ে বৃটিছৰ বিৰুদ্ধে 'স্বাধীনতা-যুদ্ধ'ও আৰম্ভ কৰিছিল। যুদ্ধৰ অন্তত ভাৰতবৰ্ষই বৃটিছ ঔপনিৱেশিকতাৰ শৃংখল ছিন্ন কৰি স্বাধীনতা আৰ্জিলে আৰু গণতান্ত্ৰিক দেশ ৰূপে আত্মপ্ৰকাশ কৰিলে।

কিন্তু স্বাধীনতাপ্ৰাপ্তিৰ ৫০ বছৰৰ অন্ততো আমাৰ ভাৰতবৰ্ষৰ তিনিভাগৰ এভাগ দাৰিদ্ৰ্যসীমাৰ তলত, আধাতকৈয়ো অধিক মানুহ নিৰক্ষৰ হৈ আছে। নৱ-শতিকাৰ অভ্যুদয়ৰ আগতেই আমি এই-বোৰ অভিশাপমুক্ত হ'ব পাৰিমনে? নৱ-শতিকাৰ অভ্যুদয়ৰ আগতে—

হওক আমাৰ অন্তৰৰ অভ্যুদয়।

বছৰ : ২০ জানুৱাৰি ১৯৯৬ সংখ্যা : ১০

খনে ৫·০০ টকা :: বছৰেকীয়া বৰঙনি ৬০·০০ টকা

মৰমৰ এই মিঠা উপহাৰ দিয়েনে কি ভাবি চাওক
প্ৰবসুৱা হৈ থকা আপোনাৰ চেনেহৰজনে পাওক

চান্দমামা



তেওঁ ভালপোৱা চান্দমামাখন তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক :

অসমীয়া, হিন্দী· গুজৰাটী, বাংলা, ইংৰাজি, কন্নড়, মালয়ালম্,
মৰাঠি, ওড়িয়া সংস্কৃত, তামিল আৰু তেলুগু

আৰু প্ৰবাসত থাকিও তেওঁক উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক।

বছৰেকীয়া বৰঙনি

অস্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে 117.00 ● উৰাজাহাজ-যোগে 264.00

**ফ্ৰান্স, ছিংগাপুৰ, ইংল্যাণ্ড, আমেৰিকা,
পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ**

জাহাজ-যোগে 123.00 ● উৰাজাহাজ-যোগে 264.00

আপোনাৰ বৰঙণি বেৰল ডিমাণ্ড ড্ৰাফ্‌ট্ নাইবা মনি-অৰ্ডাৰ যোগে
চান্দমামা পাবলিকেশ্যনছে পোৱাকৈ পঠাওক :

চাৰ্কুলেশ্যন মেনেজাৰ চান্দমামা পাবলিকেশ্যনছ চান্দমামা বিল্ডিংছ
বডাপালানি মাদ্ৰাজ-৬০০-০২৬

পৃথিৱীৰ খিৰিকীৰে

হংকঙৰ হনা !

সম্প্ৰতি দুনিয়াৰ বাতৰিত হংকঙৰ কথাই প্ৰাধান্য লাভ কৰা পৰিলক্ষিত হৈছে। দুনিয়াৰ মানচিত্ৰত হংকং এটি বালিবিন্দুহেন, যদিও ১০০০ বৰ্গ-কিলোমিটাৰ ব্যাসৰ দ্বীপ-সমষ্টি, যাৰ সৰ্বমুঠ অধিবাসী প্ৰায় ৫৭,০০,০০০।

হংকঙক 'ক্ৰাউন কলোনি' নামেৰেও অভিহিত কৰা হৈছিল। বিগত ১৫৫ বছৰৰেপৰাই এই দ্বীপ-সমষ্টি বৃটিছৰ অধীন। সম্প্ৰতি হংকঙৰ শেহতীয়া বিধানসভাৰ নিৰ্বাচন হৈ গ'ল, কিয়নো ১৯৯৭ চনৰ জুনৰ ত্ৰিশ তাৰিখে এই হংকং তাৰ মূল ভূখণ্ড চীনদেশৰ হাতলৈ পুনৰ হস্তান্তৰিত হ'ব, আৰু তেতিয়াৰপৰা হংকঙৰ স্বতন্ত্ৰ অস্তিত্বও বিলুপ্ত হ'ব।

সৰ্বপ্ৰথমে বৈদেশিক ঔপনিবেশিক শক্তি হিচাপে পৰ্টুগাল ইয়ালৈ আহিছিল। বৃটিছ আহিছিল ওঠৰ শতিকাৰ প্ৰাৰম্ভণীত। তেতিয়া বৃটিছ ৰাজশক্তি ভাৰতত খোপনি লৈছেহে মাথোন। ইষ্ট ইণ্ডিয়া কম্প্যানিয়ে চীনদেশৰ সৈতেও বাণিজ্যৰ পাতনি তৰিছিল, বিশেষকৈ বৰবিহৰ বাণিজ্য। এই কানিৰ কানমাৰিয়েই শেহলৈ চীনদেশৰো কাল হ'ল, আৰু ১৮৪১ চনত, চীনদেশে বাধ্যত পৰি এই হংকং দ্বীপ-সমষ্টিৰ বিষয়ে বৃটিছক ৯৯ বছৰলৈ অবাধ বাণিজ্যৰ চুক্তি স্বৰূপে বাধ্য হ'ল।

তাৰ পাছত, ১৯৮৪ চনত পুনৰ দুয়ো-খন দেশৰ মাজত এই চুক্তি স্বীকৃত হ'ল যে বৃটেইনে ১৯৯৭ চনত এইখন হংকং চীনদেশক প্ৰত্যাৰ্পণ কৰিব।

যোৱা পঞ্চাছ বছৰ ধৰি ঔদ্যোগিক ক্ষেত্ৰত হংকং অভূতপূৰ্ব উন্নতিৰ শিখৰলৈ উঠিছে। বিজুলী, ৰসায়ন, ইলেকট্ৰনিক-সামগ্ৰী, প্লাষ্টিক-শিল্প, বস্ত্ৰশিল্প, জাহাজ-নিৰ্মাণ আদি ক্ষেত্ৰত অভাৱিত উন্নতি সাধিছে হংকঙে। দক্ষিণ কোৰিয়া, ছিংগাপুৰ, তাইৱানৰ (এসময়ত চীনদেশৰ ভূখণ্ড আছিল) লগে লগে হংকঙো 'এছীয় বাঘ' হৈ উঠিছে;

সম্প্ৰতি হংকঙত যি নিৰ্বাচন হ'ল, সেই নিৰ্বাচনত ঘাইকৈ দুটা পাৰ্টিয়ে ভাগ ল'লে। এটা হ'ল ডেম'ক্ৰ্যাটিক পাৰ্টি চীনৰ বিৰোধী, আৰু আনটো হ'ল 'ডেম'ক্ৰ্যাটিক অ্যাল্লায়্যান্স' চীন-সমৰ্থক। ডেম'ক্ৰ্যাটিক পাৰ্টিয়ে কিছু অধিক আসন লাভ কৰিলে।

১৯৮৪ চনত বৃটেইন আৰু চীনৰ মাজত যি চুক্তি স্বাক্ষৰিত হ'ল, সেই চুক্তিমতে—হংকঙৰ বাণিজ্যৰ অধিকাৰ আৰু নাগৰিকৰ অধিকাৰ আদি বাধাপ্ৰাপ্ত নহ'ব। এয়ে আছিল চুক্তিৰ মুখ্য বিষয়।

চীনদেশৰ অন্যতম অভিযোগ হ'ল—বৃটেইনে হংকঙৰ অধিবাসীসকলক চীনৰ বিৰুদ্ধে উচটাইছে। এই বিষয়ে চীনদেশে বৃটেইনলৈ সতৰ্কবাণী শুনাই থৈছে যে—এনেকৈ চলি থাকিলে চীন চুপচাপ হাত সাবটি বহি নাথাকিব।

এই পৰিস্থিতিত দ্ৰষ্টব্য এয়ে যে—হংকঙে মূল ভূখণ্ড চীনদেশৰ সৈতে মিলাপ্ৰীতিৰে বসবাস কৰিব পাৰিবনে? অহা দুবছৰতে উত্তৰ মিলিব।



মন্ত্ৰতকৈয়ো শক্তিশালী

ৰাজকুঁৱৰী ৰূপমতীৰ ৰূপৰ আৰু গুণৰো শলাগ লোৱা মানুহৰ অভাৱ নাই ; কিন্তু হ'ল কি হ'ল—তেওঁ মইমতীয়া, আঁকো-গোঁজাবিধৰ বুলি ইমান-গুণ থকা সত্বেও ৰজা-ৰাণীৰ চিন্তাৰ কাৰণ হৈ আছে। ৰাজগড় ৰাজ্যৰ ৰাজকুঁৱৰী ৰূপমতীয়ে যিকোনো কাম নভবা-নিচিন্তাকৈয়েই কৰি পেলায়, যাৰ ফল — কেতিয়াবা বৰ বেয়াও হয়গৈ। আৰু—ধৈৰ্য্য-সহ্য বোলা একোৱেই নাই ৰাজকুঁৱৰীৰ, সকলো কামতে খৰখেদা। তেওঁ সৌ পাহাৰৰ ওপৰত থকা মন্দিৰলৈ যাব, উদ্যান-বনত নহয়—জংগললৈ যাব ফুৰিবলৈ সখিয়েক লগত লৈ বা নোলোৱাকৈয়েই—এইবোৰ-এনেবোৰ কাম-কাজৰ বাবে ৰজা-ৰাণীয়ে জলা-কলা দেখিছে ৰূপমতীক লৈ।

বহু দূৰত পাহাৰৰ ওপৰত থকা এটা দুৰ্গ আছিল, দুৰ্গটো বহু কালৰ প্ৰাচীন, আৰু তাত হেনো এক ভয়ংকৰ তান্ত্ৰিক আছিল। ৰূপমতীয়ে তেওঁৰ সখিয়েক বিমলাক এদিন ক'লে, "মই এদিন দুৰ্গ চাবলৈ যাম,তাত কি আছে কি নাই চাম।"

বিমলাই ক'লে, "ৰাজকুঁৱৰী, এনেকুৱা কথা আৰু কেতিয়াও নক'বা। তাত এটা ৰাক্ষসতান্ত্ৰিক থাকে যে,জানানে নেজানা?"

কিন্তু ৰূপমতী নাছোৰবান্দা, ক'লে যে—অকলশৰে হ'লেও তেওঁ এদিন তালৈ যাবই, আৰু চাবই।

ঠিক তেতিয়াই এদিন মহাৰাজে তেওঁৰ পুত্ৰীক ক'লে যে — ৰামগিৰিৰ ৰাজকোঁৱৰ বিনোদকুমাৰৰ সৈতে তাইৰ বিবাহ স্থিৰ কৰা হৈছে।

কুমুদিনী কলিতা

ৰাজকুঁৱৰীয়ে পিতৃক সুধিলে, বিনোদকুমাৰৰ বিশেষত্বনো কি—?"

উত্তৰ শুনি মহাৰাজে আচৰিত মানি ক'লে, "কি আৰু—বিনোদ শিক্ষিত, আৰু আগলৈ ৰামগিৰিৰ ৰজা হ'ব।"

"ৰজাৰ কোঁৱৰ এদিন যে ৰজা হ'ব পাৰে — চৰ্ব্বেই জানে। কিন্তু মই সুধিছিলোঁ যে—তেওঁৰ বিশেষত্ব কি—কি কাৰণে মই তেওঁক বিবাহ কৰাম। মোৰ কিছুমান প্ৰশ্নৰ সঠিক উত্তৰ দিয়াজনক, বা পানীৰ ওপৰেদি খোজ কাঢ়িব পৰাজনক, বা আকাশত উৰিব পৰাজনকহে মই বিবাহ কৰাব পাৰোঁ। মুঠতে—মোক বিয়া কৰাবলৈ ইচ্ছুক ব্যক্তি—কিবা-নহয়-কিবা বিশিষ্টতাৰ অধিকাৰী হ'ব লাগিব।"

ৰজা আৰু ৰাণী হতভম্বৰদৰে হৈ পৰিল। তাৰ পাছত ৰূপমতীৰ মাতৃ ৰাণীয়ে ক'লে ৰূপমতীক, "তুমি বলিয়া হোৱা নাই নহয়--? তোমাৰ গাত ভূত-প্ৰেত লম্ভিলনে কি—? আমাৰ কথা ভালকৈ শুনি থোৱা, তোমাৰ বিয়া — যুৱৰাজ বিনোদকুমাৰৰ সৈতে হ'ব।"

কিছুদিনৰ অন্তত বন্ধু-বান্ধৱৰ সৈতে যুৱৰাজ বিনোদ ৰাজগড়ৰ ৰাজধানীলৈ আহিল আৰু ৰাজ্যিক অতিথিগৃহত থাকিল। কিন্তু ইতিমধ্যে ৰাজকুঁৱৰী

ৰূপমতী হঠাৎ নোহোৱা হ'ল। সমগ্ৰ ৰাজ্যত হৈ-চৈ লাগি পৰিল, মহাৰাজ-মহাৰাণী শোকাৰ্ত, ভীত হৈ উঠিল। ৰাজকুঁৱৰীক সকলোতে তন্ন তন্নকৈ বিচৰা হ'ল, কিন্তু বিচাৰি উলিয়াব পৰা নহ'ল।

ৰাজকুঁৱৰী ৰূপমতী যে জানি-বুজিয়েই নোহোৱা হৈছে, সখিয়েক বিমলাই সেই কথা বুজি পাইছিল আৰু বিমলাই কাকো নোকোৱাকৈ তৎমুহূৰ্ততেই সেই পাহাৰুৱা দুৰ্গলৈ বুলি খোজ লৈছিল।

বিমলাই বহু কষ্টেৰে যেতিয়া সেই দূৰণিবটীয়া পাহাৰৰ ওপৰত থকা প্ৰায় জহি-খহি পৰাবিধৰ আওপুৰণি দুৰ্গ

পাইছিলগৈ, তেতিয়া গধূলি হওঁ হওঁ। দুৰ্গৰ ফটক—অৰ্থাৎ দুৱাৰ তেতিয়া বন্ধ। ফটকৰ গাত বিন্ধা এটা দেখা পাই সেই বিন্ধাইদি ভিতৰলৈ জুমি চালে, আৰু যি দেখা পালে—সেই দৃশ্য আছিল অতি ভয়ংকৰ।

দুৰ্গৰ এফালে এই বিৰাট সৰোবৰ আৰু সেই প্ৰকাণ্ড সৰোবৰৰ পাৰত অতি কুৰূপ মানুহ এজন বহি আছিল। সেই অতি কুন্দচ-বিভচ মানুহজনৰ হাতত এডাল বাঁহী, তাৰ কঁকাল ধনুভিৰীয়া, চকুযুৰি তললৈ ওলোমা, আৰু তাৰ গাৰ বৰণ কেটোৰক'লা।

আৰু এই বিভৎস মানুহটোৰ কাষত বহি কান্দি থকা ৰাজকুঁৱৰী ৰূপমতী!

এই কুৎসিত মানুহটোৱে বাঁহী হাতত লৈ ৰূপমতী ৰাজকুঁৱৰীক কৈ আছিল, "তুমি যদি মোক বিয়া নকৰিছা, তেনেহ'লে এই বাঁহীডাল তোমাৰ মূৰত ছোৱাই তোমাক সৰু এটা মাছলৈ পৰিৱৰ্তিত কৰি এই সৰোবৰত পেলাই থ'ম।"

ৰূপমতী ৰাজকুঁৱৰীয়ে কঠিন কণ্ঠেৰে সেই কুৰূপৰো কুৰূপ বিকৃতমনা তান্ত্ৰিকক ক'লে, "মোৰ বিবাহ—ৰামগিৰিৰ যুৱৰাজ বিনোদকুমাৰ সৈতে হোৱাৰ কথা; কিন্তু মোৰ দুৰ্ভাগ্যইহে মোক এই ভয়ংকৰ দুৰ্গ পোৱালেহি। যি কি নহওক তোমাৰ দৰে লেতেৰা মনৰ কোনোবা নাৰীদেহলোভী তান্ত্ৰিক এটাক মই মৰিলেও বিয়া নকৰাওঁ।"

আৰু লগে লগে সেই নাৰীদেহলোভী কুৎসিত তান্ত্ৰিকে তাৰ হাতৰ বাঁহীডাল ৰাজকুঁৱৰীৰ মূৰত ছোৱাই তেওঁক সৰু মাছ এটিলৈ ৰূপান্তৰিত কৰি চৰিয়া এটাত থৈ দিলে আৰু সেই চৰিয়াটো ঢাকনিৰে ঢাকি দিলে।

তেতিয়া সাঁজ লাগি ভাগিছেহে মাথোন। সেই তান্ত্ৰিকে জোঁৰ জ্বলালে। আৰু লগে লগে বিমলাই সেই দুৰ্গৰ প্ৰকাণ্ড দুৱাৰত ধৰি ধকিয়াবলৈ ধৰিলে।

ভিতৰৰপৰা তান্ত্ৰিকে কৈ উঠিল: "ৰাতিৰ পৰতো কোনোই এই তন্ত্ৰ-মন্ত্ৰৰ দুৰ্গ-লৈ আহি ধকিয়াইছেনে? ইমান সাহিয়াল—কোননো?"

দুৱাৰখন খোলাৰ লগে লগেই বিমলাই তান্ত্ৰিকক কৈ উঠিল, "ভিনদেউ, মই ব—হুত দূৰৰপৰা আহিলোঁ। ৰাতিছোৱা মই তোমাৰ ঘৰত থাকিব পাৰিমনে. ভিনদেউ—?"

"পাৰিবা। কেৱল ৰাতিছোৱা নহয়, দিনৰ ভাগতো। তোমাৰ মান ধুনীয়া গাভৰু এজনী ইয়াত আৰামছে মজা মাৰি থাকিব পাৰিবা। ভিতৰলৈ আহাঁ।"

বিমলা দুৰ্গৰ ভিতৰলৈ সোমাই আহিল আৰু সেই দুৰ্গৰ প্ৰকাণ্ড দুৱাৰখন বন্ধ কৰি তান্ত্ৰিকে কৈ থাকিল, "ওহোঁ—, তোমাৰমান ধুনীয়াৰো ধুনীয়াক চিত ভৰাই চাবলৈ এডাল জোঁৰেৰে নহৈছে, আৰু এডাল জোঁৰ লাগে।" এই বুলি কৈয়েই—দুৱাৰখন ঠিকমতে বন্ধ হ'লনে নাই—পৰীক্ষাৰ বাবে ঘূৰি চাই—আন এডাল জোঁৰ আনিবলৈ সেই লুভীয়া তান্ত্ৰিক তেতিয়া দুৰ্গৰ আন এটা কক্ষলৈ সোমালগৈ।

আৰু সেই ছেগতে চৰিয়াৰ ঢাকনি খুলি বিমলাই মাছ হৈ থকা ৰাজকুঁৱৰী

ৰূপমতীক ক'লে, "মই তোমাক ইয়াৰপৰা উদ্ধাৰ কৰি লৈ যাবলৈ আহিলোঁ। ভয় নকৰিবা, আৰু মনে মনে থাকিবা।" এই বুলি কৈয়েই বিমলাই পুনৰ ঢাকনিৰে চৰিয়াটো বন্ধ কৰি দিলে।

ইতিমধ্যে লেঙুৰ-ভেঙুৰৰ দৰে খোজ দি দি তান্ত্ৰিকো পুনৰ সেই ঠাই পাইছলহি। বিমলাই কৈ উঠিল, "বাঃ! কিমান যে সুন্দৰ এই দুৰ্গ, আৰু এই বয়সতো তুমিও যে কিমান সুন্দৰটি হৈ আছা!"

"তেনেহ'লে—মোক তুমি— হেৰি কৰিবাইনে কি—মানে মোক তুমি বিয়া কৰাবানে? ভাল পাইছাই যদি এই ঠাই

আৰু মোকো, তেনেহ'লে মোক বিয়া কৰাই ইয়াতে থাকা।" তান্ত্ৰিকে ক'লে।

বিমলাই ক'লে, "মোৰো ইচ্ছা তেনেকুৱাই। পিছে—ইয়াত চোৰ-ডকাইত-বোৰ নাহিব নহয়—?" কৃত্ৰিম ভয়ৰ ভাও জুৰি বিমলাই ক'লে।

"চোৰ? ডকাইত? ইয়াত?" তান্ত্ৰিকে তাচ্ছিল্যৰে কৈ উঠিল, "কিনো আজাইব কথা কৈছা? মই মন্ত্ৰ-তন্ত্ৰেৰে আনকি এই দুৰ্গকো আন পৰ্বতলৈ—বা য'লৈকে মন যায় তালৈ লৈ যাব পাৰোঁ, যাক যেতিয়াই মন যায় খতম্ কৰিব পাৰোঁ। কিন্তুক—তোমাৰ ওচ'ত কিনো হীৰা-জহৰৎ আছে যাৰ ডৰত তুমি এনেকৈ ডৰ কৰিছা?"

বিমলাই তাইৰ হাতৰ আঙুলিত থকা আঙঠিটো দেখুৱাই তান্ত্ৰিকক ক'লে, "এই আঙঠিটোক সাধাৰণ হীৰাৰ আঙঠি বুলি নাভাবিবা, ভিনদেও। এই আঙঠিৰ অপাৰ মহিমা, অদ্ভুত ক্ষমতা। এগৰাকী সিদ্ধ বাবাই আমাৰ সেৱাত তুষ্ট হৈ এই মহাশক্তিশালী অদ্ভুতকৰ্মা আঙঠিটো দিছিল।"

"সিদ্ধপুৰুষে দিয়া আঙঠি? হয়নে? পিছে—এই আঙঠিৰ মহিমানো কি?" তান্ত্ৰিকে সুধিলে।

"এই আঙঠিৰ মহিমাৰে যিকোনো মানুহৰ মনৰ ইচ্ছাক তৎক্ষণাৎ পৰিৱৰ্তন কৰিব পাৰি।" বিমলাই ক'লে তান্ত্ৰিকক।

এই কথা শুনি তান্ত্ৰিকৰ চকুৰ পুতলি উজলি উঠিল। তান্ত্ৰিকে বিমলাক ক'লে, "সৰুৰেপৰাই মোৰ এটা বিশেষ ইচ্ছা আছিল—ৰজা নহ'লেও অন্ততপক্ষে ৰজাৰ জোঁৱাই হ'ম। মোৰ ওচ'ত— এজনী ৰাজকুঁৱৰী আছে, তাই বৰ আঁকোগোঁজা-বিধৰ। মই সেই অবৈয়ালজনীক মাছলৈ ৰূপান্তৰিত কৰি থৈছোঁ। তুমি তোমাৰ আঙঠিৰে তাইৰ মনৰ পৰিৱৰ্তন কৰি দিব পাৰিবানে?"

"কি পৰিৱৰ্তন—?"

বিমলাৰ প্ৰশ্নৰ উত্তৰত তান্ত্ৰিকে ক'লে,

"মোক যাতে তাই বিয়া কৰায়—মাত্ৰ এইকণ পৰিৱৰ্তন। তেতিয়া মই ৰজা নহ'লেও ৰজাৰ জোঁৱাই হ'ব পাৰিম।"

এই কথা কোৱাৰ অন্তত তান্ত্ৰিকে সেই চৰিয়াত হাত ছোৱালে, আৰু লগে লগে সেই মাছ পুনৰ ৰাজকুঁৱৰী ৰূপমতী হৈ পৰিল।

তেতিয়া বিমলাই হাতৰ আঙঠি ৰাজকুঁৱৰীৰ আগত দাঙি ধৰি ৰাজকুঁৱৰীলৈ চাই ক'লে, "তুমি এই সুন্দৰৰো সুন্দৰ তান্ত্ৰিকজনক বিয়া কৰোৱা, বিয়া কৰোৱা, ৱিয়া কৰোৱা!"—ক্ষন্তেকমান বৈ বিমলাই ৰাজকুঁৱৰীক সুধিলে, "তুমি এই নয়ন-মনোহৰ তান্ত্ৰিকজনক বিয়া কৰাবানে?"

ৰাজকুঁৱৰী ৰূপমতীয়ে মিঠাকৈ হাঁহিৰে ক'লে, "মই নিশ্চয় বিয়া কৰাম, ক'ব লাগিছেনে আৰু?"

ৰাজকুঁৱৰীয়ে ক'বলৈ পালেহে, আনন্দৰ চোটত কঁকালভগা তান্ত্ৰিকে বান্দৰৰ দৰে জাঁপ মাৰি দিলে, আৰু বিমলাক ক'লে, "হেই গাভৰু, আঙঠিটো মোক দিয়া। ৰজাই যদি এই বিয়া মানি নলয়, এই আঙঠিৰে ৰজাকো মা-বাঁহৰ চেপাত পেলাই কাম উচুল কৰি ল'ম।" এই বুলি কৈ, তান্ত্ৰিকে আঙঠিটো ল'বলৈ তাৰ সোঁহাত-খন বঢ়ালে আৰু এই ছেগতে বিমলাই তান্ত্ৰিকৰ হাতত ধৰি ইমান জোৰেৰে আঁজুৰিলে যে তান্ত্ৰিক উবুৰি খাই পৰিল, আৰু তেতিয়া বিমলাই তাৰ হাতত থকা বাঁহীডাল কাঢ়ি লৈ, তাৰ মূৰত ছোৱাই, তাক মাছলৈ ৰূপান্তৰিত কৰি সেই সৰোবৰৰ পানীত পেলাই দিয়া হ'ল আৰু এইদৰে তাৰপৰা ৰাজকুঁৱৰী ৰূপমতীক বুদ্ধিৰে উদ্ধাৰ কৰি লৈ অহা হ'ল।

পাছত—মহাৰাজে বিমলাৰ প্ৰকাশ্য প্ৰশংসা ক'লে, "প্ৰকৃত বুদ্ধিমত্তা যে তন্ত্ৰ-মন্ত্ৰতকৈয়ো শক্তিশালী, বিমলাৰ বুদ্ধি-চাতুৰ্য্যই আমাক সেই কথা শিকাই দিলে।"

পৰোপকাৰী

খেতিব ৰঙালাও বেচিবলৈ গৰুৰ গাড়ীৰে চহৰলৈ গৈ থাকোঁতে বাটত বিৰাট এচটা শিল বাটভেটি পৰি থকা দেখি বৰ্মনখুড়া গাড়িৰপৰা নামিল আৰু ইমান ডাঙৰ শিলচটা ঠেলি আঁতৰাব নোৱাৰিব বুলি ভাবি ইফালে-সিফালে চাই থাকিল। চাই চাই অলপমাত আঁতৰত এটা টিলাৰ নামনিত এজন মানুহক শুই থকা দেখি জগালে আৰু মানুহজনে বিনা-বাক্যব্যয়েৰে শিলচটা আঁতৰোৱাৰ কামত হাত লগালে।

যিজনে বাটত এই শিলচটা এনেকৈ থৈছে সেইজনক বৰ্মনখুড়াই হোৱাই-নোহোৱাই গালি পাৰিলে আৰু উপকাৰ কৰোঁতা এই পৰোপকাৰী মানুহজনৰ ঢেৰ প্ৰশংসা কৰিলে আৰ পাছত বৰ্মনখুড়াই মানুহজনক সুধিলে যে সি ক'লৈ যাব, মানুহজনে ক'লে যে তেওঁ ৰামপুৰলৈ যাব।

"বাৰু, উঠি বহাঁ গাড়ীত, মই ৰামপুৰ পাৰ হৈ যাম, তোমাক নমাই দিম।" বৰ্মনখুড়াকে ক'লে।

মানুহজন ৰামপুৰত নামিল, আৰু নামিয়েই হাত যুৰি বৰ্মনখুড়াক ক'লে, "ক্ষেমিব, বাটৰ সোঁমাজত পিলচটা বগৰাই আনি তেনেকৈ থৈ আপোনাক কষ্ট দিলোঁ, বেয়া নাপাব।"

বৰ্মনখুড়াই আচৰিত মানি ক'লে, "কিয়—শিল এচটা তেনেকৈ থৈছিলা? এই কাম কৰিছিলা কিয়? মিছামিছি—নজনাকৈ তোমাক ভালেখিনি গালি পাৰিলোঁ।"

মানুহজনে মুচুককৈ হাঁহি মাৰি ক'লে, "ময়ো চহৰলৈ গৈ আছিলোঁ। খোজ কাঢ়ি কাঢ়ি ইমান ভাগৰ লাগিল যে—শুবলৈ মই বাধ্য হৈছিলোঁ। পিছে—শোৱাৰ আগতে কোনোবা এখন গাড়ী-ছাড়ীক ৰখাবগৰাকৈ সেইটি কাম কৰিলে পাছত টোপনি মাৰিছিলোঁগৈ। গাড়ীৰ মালিকে বা গাৰোৱানে মোক যে জগাব লাগিব, সেইটি কথা মই বঢ়িয়াকৈ ঠাৱৰ কৰিব পাৰিছিলোঁ।"

শুনি বৰ্মনখুড়াই এই বকধাৰ্মিকলৈ জুইহে চাৱনিৰে চাই থু পেলাই গাড়ী চলাই গুচি গ'ল।



৫

[আগৰ কথা : বহু ধৰণৰ এলৈ-আহুকাল ভুঞ্জি, বহু বিলৈবো বিলৈ পাৰ হৈ, অনুচৰসকলৰে সৈতে গৈ গৈ ৰূপধৰে কেশিনী নামৰ দৈৱীশক্তিসম্পন্না দেৱীহেন মানৱীৰ দ্বীপৰাজ্য পাইছিলগৈ। তাত কেশিনীয়ে ৰূপধৰৰ প্ৰায় আটাইবোৰ অনুচৰক গাহৰিলৈ ৰূপান্তৰিত কৰি গড়ালত ভৰাই থৈছিল। পাছত কেশিনীয়ে ৰূপধৰকো গাহৰিলৈ ৰূপান্তৰিত কৰিছিল, কিন্তু এজন অচিনাকি যুৱকৰ সময়োচিত পৰামৰ্শৰ ফলত ৰূপধৰ কেশিনীৰ কবলৰপৰ কথমপি ৰক্ষা পৰিছিল। পাছত সেই দৈৱীশক্তিসম্পন্না কেশিনীয়ে ৰূপধৰক বিয়া কৰাইছিল। আৰু তাৰ পাছত···]

কেশিনীৰ পৰামৰ্শমতে ৰূপধৰ তেওঁৰ অনুচৰসকলৰ ওচৰলৈ গ'ল আৰু অনুচৰসকলে সিহঁতৰ নেতাক অক্ষত অৱস্থাত দেখা পাই আনকি স্বদেশ ইথাকাদেশ নোপোৱাৰ বেদনাও সাময়িকভাবে হ'লেও পাহৰি থাকিল।

এইসকল শোক-দুখত কাতৰ হৈ পৰা অনুচৰে ৰূপধৰক সুধিলে, "সিহঁত ক'ত আছে, সিহঁতৰ কি হ'ল ? আমাৰ অন্যান্য লগৰীয়াৰ খবৰ কি ?"

"সিহঁত কেশিনীৰ ঘৰতে আছে—আৰু ভালেই আছে। সিহঁতে তাত আনন্দৰে খোৱা-পিয়া কৰিছে। এটা কাম কৰা, অথনি আমি সেই গুহাত লুকুৱাই থোৱা আমাৰ নাওখন তুৰন্তে তাৰপৰা উলিয়াই আনা আৰু তাৰ পাছত তোমালোকো

এতিয়াই মোৰে সৈতে কেশিনীদেৱীৰ ঘৰলৈ ব'লা।"

ৰূপধৰে কোৱামাত্রেই অনুচৰইঁতে কামত হাত উজান দিয়াত মায়াবীয়ে কৈ উঠিল, "হেৰ বুৰ্বকইঁত, ভাবি চোৱা, তোমালোক ট্ৰয়ৰপৰা ক'লৈ যাবলৈ ট্ৰয় এৰি আহিছিলা। কেশিনী ৰাক্ষসীৰ ঘৰলৈ যাবলৈহেনে ? কেশিনীয়ে তোমালোকক এটা এটা বাঘ, নাহাৰফুটুকী, শিয়াল, বান্দৰ আদি জন্তুলৈ ৰূপান্তৰিত কৰি তাইৰ পৰীয়াৰ কাম কৰাব। আৰু— তোমালোকে আগৰবোৰ দিনৰ কথা পাহৰিলাইনে ? ফালেলোচনইতৰ কথা, পাছত অন্য এক গোটেগোট মানুহ-খোৰা ভয়ংকৰ ৰাক্ষসদ্বীপৰ কথা—য'ত এই ৰূপধৰৰ অবিবেচনাৰ কাৰণে আমাৰ অনেক লগৰীয়াৰ মৃত্যু হ'ল—আৰু—"

তিমানতে ৰূপধৰে তৰোৱাল দাঙি মায়াবীক আক্রমণ কৰিবলৈ আগুৱাই-ছিলেই, কিন্তু কিছুমান অনুচৰে নেতা ৰূপধৰক ৰখালে বুলিহে মায়াবী ছুছোৰা হোৱাৰপৰা কথমপিহে ৰক্ষা পৰিল আৰু পাছত এটি ভেড়াৰ বাধ্য দৰে অন্যান্যৰ সৈতে লগ লাগি মায়াবীও কেশিনীৰ ঘৰলৈ গ'ল।

কেশিনীয়ে ৰূপধৰক ক'লে,"আপোনাৰ অনুচৰসকলক কওক—আগৰ কথা বাঘে খালে, গ'ল ব'ল গুচিল। এতিয়া এইখন ৰাজ্যকে আপোনালোকৰ নিজৰ দেশ বুলি ভাবক আৰু ইয়াতে ৰঙতে বসবাস কৰি থাকক।"

ৰূপধৰে কেশিনীৰ কথা মানি ললে আৰু এইদৰে মহাআয়মৰে তাত এবছৰ-কাল ৰঙে-ৰসে ভৰপুৰ হৈ অতিবাহিত কৰিলে।

'বছৰ ঘূৰিল, কিন্তু আমাৰ স্বদেশলৈ যোৱাৰ আশাহে নুপূৰিল—' অনুচৰইঁতে ৰূপধৰক এনেবোৰ কথা ক'বলৈ ধৰাত ৰূপধৰ কেশিনীক সিহঁতৰ এই মনোভাৱৰ

কথা বুজাই ক'লে, আৰু কিছুদিনৰ ভিতৰত ইথাকাদেশলৈ যাবলৈ দেৱী কেশিনীৰপৰা সহায়-সাৰথি প্ৰাৰ্থনা কৰিলে।

ৰূপধৰৰ বক্তব্যৰ উত্তৰত কেশিনীয়ে ক'লে, "আপোনালোকক ইয়াত জবৰ-দস্তীকৈ ৰখাৰ কোনো ইচ্ছা মোৰ নাই। কিন্তু—স্বদেশ ইথাকাদেশ পাবলৈ হ'লে —ইয়াৰপৰা নাৰেৰে ৰাওণা হৈ অন্য এক ৰাজ্যলৈ আগতে যাব লাগিব আৰু তাত বিশেষ এজনৰ সৈতে সাক্ষাৎ কৰিব লাগিব। সেই ৰাজ্য হ'ল—নৰকৰাজ্য, আৰু সেই বিশেষ এজনৰ নাম হ'ল চিত্ৰগুপ্ত। এওঁ হ'ল যম দেৱতাৰ বৰ-কাকতী, মানুহৰ পাপ-পুণ্যৰ হিচাপ-ৰক্ষক। স্বদেশ ইথাকাদেশলৈ বুলি যাত্ৰাৰ আগতে বিশেষকৈ যমদেৱৰ বৰকাকতী চিত্ৰগুপ্তৰপৰা সঠিকভাৱে দিহা-পৰামৰ্শ লৈহে যাত্ৰা কৰিব লাগিব।"

কেশিনীৰ এনেবিধ কথা শুনি ৰূপধৰ দমি গ'ল।

ৰূপধৰে কেশিনীক ক'লে, "কেশিনী, এইবোৰ কি যে অলো-ভলো বকিছা—তুমিহে ক'ব পাৰিবা। নাৰেৰে নৰকলৈ যাব পাৰি বুলি—জগতত আজিপধ্যে কোনোবাই শুনিছেনে বাৰু?"

"সেইবোৰ কথা আপুনি নেভাবিলেও হ'ব। আপুনি আপোনাৰ লগৰীয়াহঁতক লৈ নাৰেৰে সমুদ্ৰৰ বুকুৰেদি গৈ থাকিলেই দিনৰ অন্তত নৰকৰাজ্য পাবগৈ। তাত—য'ত এটি সৰু টিলা দেখা পাব, তাৰে ওচৰত, পাব অগ্নি নৈ আৰু অশ্ৰু নৈ, যি দুখন নৈ তাতেই বৈতৰণীত পৰিছেগৈ। সেই তিনিখন নৈ সংগমস্থলত, সেই টিলাৰ ওচৰত, এহাত দীঘল এহাত বহল গাঁত এটা খান্দিব লাগিব আৰু তাতেই পিতৃদেৱতালৈ তৰ্পণ কৰিব লাগিব, পিণ্ডদান কৰিব লাগিব। তাৰ পাছত পিতৃদেৱলৈ প্ৰাৰ্থনা কৰিব লাগিব

ইঁতক ক'লে, "উঠা—উঠা, আমি এতিয়াই নাৱত উঠিব লাগিব। কেশিনীয়ে আমাক ইথাকাদেশলৈ যাবলৈ যি উপায় দিলে—সেই উপায়েৰে যাবলৈ হ'লে এতিয়াই নাও এৰিব লাগে, তেহে গধূলি-লগনত সেই—জীয়ন্তাই নেদেখা নৰক ৰাজ্য পাব পাৰিমগৈ।"

নাৱত অনুচৰইঁত, ৰূপধৰ উঠাৰ পাছত ক'লী ছাগলি আৰু ক'লা ভেড়াটোকো সেই নাৱত উঠাই দিলে স্বয়ং কেশিনীয়ে।

আৰু লগে লগে কেশিনীয়ে মন্ত্ৰ মাতি উত্তৰদিশীয়া বায়ু প্ৰবাহিত কৰাৰ ফলত ৰূপধৰৰ নাওখন সমুদ্ৰৰ বুকুৰেদি সবেগে আগবাঢ়ি গ'ল।

আৰু কেশিনীয়ে কোৱা মতেই নাওখনে নিজে নিজেই এক সমুদ্ৰতট পালেগৈ।

তেতিয়া গধূলি হওঁ হওঁ।

*

ৰূপধৰে কেশিনীৰ প্ৰতিটো কথা আখৰে আখৰে পালন কৰিলে। গাঁত খান্দি, তৰ্পণ আৰু পিতৃদেৱতালৈ পিণ্ডদান কৰি যমৰাজ আৰু চিত্ৰগুপ্তৰ নামত বলি আগ কৰিবলৈ সৈ কাঢ়ি সাষ্টাংগে প্ৰণাম কৰিলে আৰু তেতিয়া চাওঁতে চাওঁতে ৰূপধৰৰ মৃত পিতৃদেৱ

নিৰাপদে স্বদেশ ইথাকাদেশলৈ যাবলৈ। আৰু যমৰজালৈ এজনী ক'লী ছাগলি আৰু চিত্ৰগুপ্তলৈকো প্ৰণাম কৰিব লাগিব। —এই নৰকৰাজ্যত পিতৃদেৱতাকো দেখা পাব, কিন্তু এই বলিৰ ছাগলি বা ভেড়া তেওঁ যেন স্পৰ্শ নকৰে—তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব। মনত ৰাখিব—নিৰাপদে স্বদেশ ইথাকাদেশলৈ যাবলৈ — যম দেৱৰ বৰকাকতী চিত্ৰগুপ্তয়েই আপোনা-লোকক উপায় দিব।" কেশিনীয়ে ৰূপধৰক ইথাকাদেশলৈ নিৰাপদে যোৱাৰ বাবে এইদৰে সহায়তা আগবঢ়ালে।

ৰাতি পুৱাল, ৰূপধৰে তেওঁৰ অনুচৰ-

তালৈ আবির্ভূত হ'ল।

ৰূপধৰে তেওঁৰ পিতৃদেৱক ক'লে, "মই যমদেৱৰ বৰকাকতী চিত্ৰগুপ্তৰপৰা দিহা নোপোৱালৈকে এই বলিৰ বস্তুবোৰ আপুনি ছুব নালাগে।"

পাছ মুহূর্ততে এক নাৰী মৃতাত্মা আগুৱাই আহিল। এওঁক দেখা পাই ৰূপধৰৰ বিস্ময়ৰ সীমা নাথাকিল, কিয়নো এই নাৰী আছিল ৰূপধৰৰে মাতৃ! ট্ৰয় বিজয়ৰ কালতো তেওঁ জীয়াই আছিল; কিন্তু তাৰ পাছত যে তেওঁৰ কি হ'ল ক'লৈ গ'ল—ৰূপধৰে সেইবোৰ কথাৰ আৰু খবৰ-বাতৰি পোৱা নাছিল।

আৰু ঠিক তেতিয়াই সোণৰ দণ্ড হাতত লৈ চিত্ৰগুপ্তও তালৈকে আহি পালেহি।

চিত্ৰগুপ্তই ৰূপধৰক ক'লে, "পুত্ৰ, এই পিতৃলোক সূৰ্য্যকান্তিৰপৰা বঞ্চিত। কেনেকৈনো তুমি ইয়ালৈ আহি পালাহি? মই তোমাৰ বলি গ্ৰহণ কৰিলোঁ। আৰু তোমাক আৱশ্যকীয় সহায়তাও কৰিম। স্বদেশ ইথাকাদেশলৈ যাবলৈ তুমি; আৰু তোমালোক উভতি উঠিছা, মই জানো। প্ৰকৃতপক্ষে—স্বদেশেই স্বৰ্গদেশ। কিন্তু দেৱতা বিতুষ্ট, সেইহে তোমাৰ আলৈ-বিলৈৰ অন্ত নপৰা হৈছে। স্বদেশলৈ যাওঁতে আৰু বহুতো বাধা-বিঘ্নই আগুৰি ধৰিব, যদিও শেহান্তৰত সকুশল স্বদেশ ইথাকাদেশ পাবাগৈ। স্বদেশলৈ যাওঁতে বাটত ত্ৰিনাপিয়া নামৰ এখন দ্বীপ পাবা। তাত স্বয়ং সূৰ্য্যদেৱতাৰ আশ্ৰিত পশুগণ বসবাস কৰে, তুমি, বা তোমালোকে সিসকল পশুৰ সামান্যতম অনিষ্টও নকৰা যেন। যদি সিসকল পশুৰ তিলমান অনিষ্টও কৰিছা, তেনেহ'লে স্বদেশ স্বপ্নমাত্ৰ হৈ থাকিব। তোমালোকৰ মৃত্যু নহ'ব ঠিকেই, কিন্তু স্বদেশ পায়ো শত্ৰু-পৰিবৃত হৈ থাকিব লাগিব। এইবোৰ শত্ৰুক সংহাৰ কৰিবলৈ দেৱতাসকললৈ

উপচাৰ উছর্গা কৰিব লাগিব। কেনেকৈ কি কৰিব লাগিব—মই তোমাক ক'ম। তুমি হাতত এপাট ব'ঠা ল'ব। সেই ব'ঠাপাট চাই কোনোবা এজন মানুহে তোমাক সুধিবহি যে সেইপাট নাঙলনে কি, এই পাটেৰে কৃষিকাৰ্য্য কৰিব পাৰিনে কি। ঠিক তেতিয়াই তুমি এই ব'ঠাপাট মাটিত পুতি পেলাবা, আৰু তাতেই ছাগলি আৰু ভেড়া বলি দিবা। আৰু তাৰপাছত নিশ্চিন্তে-নিৰাপদে স্বদেশলৈ—তোমালোকৰ হিয়াৰ আপোন—মৌমিঠা ঘৰলৈ যাবাগৈ। তুমি দীৰ্ঘকাললৈ জীয়াই থাকিবা যে সেই কথা ধ্রুব বুলি জানিবা।" এই বুলি কৈয়েই চিত্ৰগুপ্ত নিমিষেতে তাৰপৰা অন্তৰ্হিত হ'ল।

ৰূপধৰ তাতেই বহুতো পৰলৈকে-স্থিৰভাৱে ৰৈ থাকিল।

সকলো কথা-কাণ্ড সপোন যেন লাগিল তেওঁৰ। তেতিয়া তেওঁৰ মৃতা-মাতৃয়ে কৈ উঠিল, "বোপা, তুমি জীয়াই থকা সত্বেও কেনেকৈনো এই যমৰাজ্য পালাহি? তুমি ট্ৰয়ৰপৰা পোনে পোনেই ইয়ালৈকে আহিলানে? ইথাকালৈ উভতি যোৱা নাছিলানে? বোৱাৰীৰ লগতে দেখা হোৱা নাইনে তোমাৰ?"

"নহয়, মা। ইথাকালৈ বুলি যাত্ৰা কৰাৰ পাছৰেপৰাই নানান অবৰ্ণনীয় দুখ-বিপদ-বিঘনিৰ চাকনৈয়াত পৰি হাবাথুৰি খাই আছোঁ। মা, দেউতা ক'ত আছে? আৰু—মোৰ পুত্ৰ— বিজয়ধ্বজ ক'ত? মোৰ পৰিবাৰ—এতিয়াও ঘৰতে আছেনে? মোৰ সা-সম্পত্তি এতিয়ালৈকো যথাৰৎ হৈ আছেনে? তোমাৰ বোৱাৰীয়ে আন কাৰোবাক বিবাহ কৰালেনে?" ৰূপধৰে একে উশাহতে সুধিলে।

মাতৃয়ে ক'লে, "বোৱাৰী আজিও তোমাৰেই বাট চাই আছে, আৰু তাই ঘৰতেই আছে। তাই অতি সহনশীলা আৰু ধৈৰ্য্যশীলা। তোমাৰ সা-সম্পত্তিও

পূৰ্ববৎ আছে, আৰু তোমাৰ পুত্ৰ বিজয়ধ্বজে সেইবোৰ সুকলমেই চোৰা-মেলা কৰি আছে। এইবোৰ কথাত তুমি দুঃচিন্তা নকৰিবা, বোপা। তোমাৰ মংগল হওক, তুমি ভালে থাকা, মই এতিয়া যাওঁগৈ—যাওঁ মই—" এই বুলি কৈ কৈ ৰূপধৰৰ মৃতা মাতৃ অতি ধীৰ খোজেৰে তাৰপৰ এখোজ দুখোজকৈ পিছুৱাই গৈ থাকিল……।

আৰু ঠিক তেতিয়াই তেওঁৰ মাতৃক আঁকোৱালি ল'বলৈ ৰূপধৰ মাতৃৰ পিনে আগুৱাই গ'ল।

কিন্তু আগুৱাই যোৱা সত্বেও ৰূপধৰে তেওঁৰ মাতৃক আনকি স্পৰ্শও কৰিব নোৱাৰিলে। ৰূপধৰ যিমানেই আগুৱায়, মাতৃ সিমানখিনিয়েই পিছুৱায়।

এইদৰে, ৰূপধৰৰ দুচকু সেমেকি উঠিল, আৰু তেওঁ তেওঁৰ মৃতা মাতৃক কাতৰ কণ্ঠেৰে ক'লে, "এবাৰ—মাত্ৰ এটিবাৰলৈ তোমাক আঁকোৱালি ল'বলৈ দিয়া, মা! কিয়নো তুমি মোৰপৰা বাৰে বাৰে আঁতৰি গৈছা?"

"বোপা, জীৱিতই মৃতক স্পৰ্শ কৰিব নাপায়, এই স্পৰ্শদোষৰ পাপৰ ফলত জীৱিতও তৎমুহূৰ্ততেই মৃত হ'ব। কোনো বেমাৰ-আজাৰত মোৰ মৃত্যু হোৱা নাছিল, তোমাৰ কথা ভাবি ভাবিহে মই মৰণক বৰণ কৰি মৃতলোক পাইছিলোঁহি। তাৰ পাছত—এই সুদীৰ্ঘ কালৰ পাছত—তোমাক—মোৰ মৰমৰো মৰমৰ পুত্ৰটিক যে এবাৰলৈ হ'লেও দেখা পালোঁ—এয়ে মোৰ সৌভাগ্য। তুমি এই মুহূৰ্ততে এই মৃতলোকৰপৰা গুচি যোৱা। আৰু শুনা—তুমি মৃতলোক চাই যোৱাৰ কথা ভুলে-পাহৰণেও কাকো নোকোৱা, বোপা। আনকি—বোৱাৰীকো নোকোৱা যেন। কথাটো সদায় মনত ৰাখিবা, নহ'লে ভয়ানক বিপদত পৰিবা।" [আগলৈ

আচল কথা

ৰংপুৰৰ জমিদাৰৰ ওচৰত কাম-বন কৰাঁইতৰ মাজত বাহাদুৰ বাহাদুৰেই। তাৰ কাম-বন আনতকৈ বেলেগ। কাচাৰীখন চাফ-চিকুণোৱা, দেৱালবোৰ চাফা কৰা, বেঞ্চি—চকি মেজবোৰ জকমকীয়া কৰা আদি সি নিষ্ঠাৰে নিতৌ দুই-তিনিবাৰকৈ চিকুণায় জমিদাৰ ডাঙৰীয়াৰ ৰূপৰ টেমাটো—পাণৰ টেমাটো।

জমিদাৰ ডাঙৰীয়াই বাহাদুৰৰ কাম-বন ভালকৈ দেখে, দেখি ভালেই পায়। কিন্তু এদিন তেওঁ বাহাদুৰক ক'লে, "আৰে বাহাদুৰ, এতিয়া দেখিছোঁ তোমাৰ কামত ঢিলাই দিছা। আগৰ দৰে কাচাৰী চাফা কৰা নাই, দেৱালবোৰত নানান দাগ, বেঞ্চি-চ-কিমেজবোৰত আগৰ দৰে জকমকনি নেদেখা হৈছোঁ; পিছে হয়—মোৰ পাণৰ ৰূপৰ টেমাটো আগতকৈয়ো অধিক চাফা যেন পাইছোঁ, কেতিয়াও সামান্যমানো লেতেৰা হৈ থকা দেখা নাই। গতিকে—এতিয়াও তোমাৰ কাম-বনৰ শলাগ নলৈ নোৱাৰি।"

জমিদাৰ ডাঙৰীয়াৰ কথাৰ উত্তৰত বাহাদুৰে বিনম্ৰভাৱে ক'লে, "মালিক, মোৰ কাম-বনৰ শলাগ ল'বলৈনো কি আছে? আপোনাৰ পাণৰ টেমাটোৰপৰা—দুই-চাৰি পাণ মইয়ো মুখত ভৰাওঁ—গতিকে—বাৰে বাৰে হাতত লওঁ—আৰু বাৰেওপতি চাফা কৰোঁ।"

তেতিয়াহে আচল কথা ওলাই পৰিল, আৰু তেওঁৰ পাণৰ টেমাটো যাতে বাহাদুৰৰ হাতত নপৰে তাৰ বাবে তেতিয়াৰপৰা জমিদাৰ ডাঙৰীয়া সাৱধান হ'ল।



মানুহ আৰু মহিমা

অদম্য বিক্ৰমাদিত্য ৰজা তথাপি নদমিল। পুনৰ সেই গছজোপাৰপৰা মৃতদেহটো নমাই আনি, কান্ধত পেলাই লৈ নিৰ্বাক-নিমাত মৰিশালিলৈ বুলি গৈ থাকিল আৰু তেতিয়া মৃতদেহত থকা বেতালে কৈ উঠিল, "হে ৰাজন্! তোমাৰ ধৈৰ্য্য অদ্ভুত। তথাপি কওঁ, তুমি যদি কিবা ধৰণৰ মহিমা আয়ত্ত-কৰায়ত্ত কৰি জগতজয়ী মহিমাৱান হ'ব খুজিছা, সেই আশাৰে মূৰতো কিন্তু চেঁচাপানী পৰিব পাৰে। কিয়নো— কেতিয়াবা কেতিয়াবা মহিমাও বিফল নোহোৱা নহয়, আৰু তেতিয়া জীৱনকালৰ সাধনাও ব্যৰ্থ হয়। মোৰ এই মন্তব্যৰ উদাহৰণস্বৰূপে সিংহপুৰীৰ ৰাজকোঁৱৰৰ কাহিনী কওঁ, শুনা। শুনি শুনি গৈ থাকিলে এনেকৈ ভালুকৰ সাঙী কঢ়িয়াই থকাৰপৰা কিজানি মুক্তি পাবা" এই বুলি কৈ, বৈ, বেতালে ক'বলৈ ধৰিলে :

'বেতাল-কথা'

নৈমিকাৰণ্যৰ জয়েন্দ্ৰ মুনিয়ে তেওঁৰ শিষ্য কেইগৰাকীমানক শিক্ষাৰ সমাপ্তিৰ পাছত বিদায় দিয়াৰ পৰত তেওঁৰ অন্যতম শিষ্য সিংহপুৰীৰ ৰাজকোঁৱৰক ক'লে, "পুত্ৰ, তোমাৰ বিদ্যাভ্যাস সমাপ্ত হ'ল, এতিয়া তুমি পুনৰ গৃহাশ্ৰমলৈ উভতি যাবৰ হ'ল। আগলৈ তুমি নিশ্চয়েই সিংহপুৰীৰ ৰজা হ'বা। যিকি নহওক, মই তোমাক এখন দৰ্পণ উপহাৰস্বৰূপে দিম, সেই দৰ্পণখন মহিমাৱান দৰ্পণ। প্ৰশ্ন কৰিলে এই দৰ্পণে উত্তৰ দিব, সমস্যাত পৰিলে সমস্যাৰ সমাধান দিব। যিকোনো মানুহৰ গূঢ় কথা জানিবলৈ হ'লে সেই মানুহজনৰ আগত দৰ্পণখন দাঙি ধৰি সুধিলেই হ'ল, দৰ্পণে কৈ দিব।—কিন্তু যদি এই দৰ্পণৰ কাৰ্য্যকাৰিতা আৰু নাই বুলি কোনোদিনে ভাবা, তেনেহ'লে দৰ্পণখন মোক ওভোতাই দিবা।"

গুৰুক প্ৰণাম কৰি, বিদায় লৈ সিংহপুৰীৰ ৰাজকোঁৱৰ হিমদত্ত সিংহপুৰীলৈ উভতি গ'ল আৰু কিছুদিনৰ অন্তত তেওঁৰ ৰাজ্যাভিষেকো হৈ গ'ল আৰু হিমদত্তই অতি যোগ্যতৰে ৰাজ্যশাসনৰ দায়িত্ব কাঢ়িয়াই থাকিল।

ইতিমধ্যে — ৰজা হিমদত্তৰ ওচৰত থকা মহিমাৱান দৰ্পণৰ কথা সকলোতে অলপ-বিস্তৰ প্ৰচাৰিত হৈ পৰিছিল।

এদিন সিংহলদেশৰপৰা বীৰভূপথি নামৰ এজন মল্লযোদ্ধা, ধীৰতুংগা নামৰ এজন তৰোৱাল-যোদ্ধা আৰু ভূপালসিংঘে নামৰ এজন ধনুৰ্বিদ্যাবিদ ৰজা হিমদত্তৰ ওচৰলৈ আহিল আৰু তিনিও হিমদত্তক হিমদত্তদেৱক ক'লে, "মহাৰাজ, আমাৰ মাজত বীৰতাত কোনো সৰ্বশ্ৰেষ্ঠ—কোনেও ক'ব পৰা নাই। আপোনাৰ ওচৰত থকা মহিমা-দৰ্শণৰ কথা আমিও শুনিছো, আৰু সেইহে আপোনাৰ দৰ্পণৰ সহায়ত এই সমস্যাৰ সমাধানৰ আশাৰে আমি আপোনাৰ কাষ চাপিছো।"

মহাৰাজ হিমদত্তই তিনওজন বী ৰ আগত দৰ্পণ দাঙি ধৰি দৰ্পণক সুধিলে, "হে মহিমাৰান দৰ্পণ, এওঁলোকৰ মাজত সৰ্বশ্ৰেষ্ঠ বীৰ কোন—কৈ দিয়া।"

কিন্তু দৰ্পণৰপৰা কোনো ধৰণৰ উত্তৰ পোৱা নগ'ল।

এই ঘটনাৰ কিছুমানৰ অন্তত কোশলদেশৰপৰা ধুমকেতু-আৰু বজ্ৰবাহু নামৰ দুজন মল্লযোদ্ধা সিংহপুৰীলৈ আহিল—তেওঁলোকৰ মাজত শ্ৰেষ্ঠ মল্লযোদ্ধা সেই কথাৰ চয়-নিচয় কৰিবলৈ।

কিন্তু দৰ্পণে যে কোনো উত্তৰ নিদিব—সেই কথা ভাবি মহাৰাজ হিমদত্ত হিম হৈ পৰা যেন পালে। তথাপি তেওঁ দৰ্পণক সুধিলে, "হে মহিমাৰান দৰ্পণ, এই দুজনৰ মাজত শ্ৰেষ্ঠ মল্লযোদ্ধা কোন—কৈ দিয়া।"

আৰু পছমুহূৰ্ততে দৰ্পণৰপৰা উত্তৰ আহিল: "বজ্ৰবাহু।"

মহাৰাজে পুনৰ দৰ্পণক সুধিলে, "হে মহিমাৰান দৰ্পণ, ধুমকেতুতকৈ বজ্ৰবাহুৰ শ্ৰেষ্ঠতাৰ কাৰণ কি?"

দৰ্পণে ক'লে, "তাৰিজ। বজ্ৰবাহুৱে তান্ত্ৰিক-প্ৰদত্ত তাৰিজ ধাৰণ কৰাত এই বিষয়ত বজ্ৰবাহুৰ শ্ৰেষ্ঠত্ব।"

এই কথা শুনামাত্ৰেই বজ্ৰবাহু শেতা পৰিল, আৰু ধুমকেতুৱে বজ্ৰবাহুৰ বাহুত



থকা তাৰিজ বলেৰে ছিঙি আনি দলিয়াই পেলালে।

তেতিয়া মহাৰাজ হিমদত্তই তৎক্ষণাৎ দুয়োজনৰ মজেত মল্লযুদ্ধৰ আয়োজন কৰিলে, আৰু ধুমকেতুৱে বজ্ৰবাহুক হেলাৰঙে পৰাজিত কৰিলে। দৰ্পণৰ কথা যে সাঁচে-কাটে সঁচা দৰ্পণে কোৱা—সেই কথাৰ দেখদেখ প্ৰমাণ পোৱা গ'ল।

*

ৰত্নগিৰি আৰু বজ্ৰগিৰি আছিল সিংহ-পুৰীৰ সামন্তৰাজ্য। ৰজা হিমদত্তই ৰত্নগিৰি আৰু বজ্ৰগিৰিৰ ৰাজকুঁৱৰীদ্বয়ৰ সৌন্দৰ্য্যৰ কথা বহুদিনৰেপৰাই শুনি

আছিল। কিন্তু সেই দুজনীৰ মাজত কোনজনী যে শ্ৰেষ্ঠ সৌন্দৰ্য্যৱতী—সেইটো কথাহে জনা নাছিল। সেইহে, নিজ নিজ পুত্ৰীক সিংহপুৰীলৈ লৈ আহিবলৈ তেওঁ দুয়োগৰাকী ৰজালৈ আমন্ত্ৰণ জ্ঞাপন কৰিলে।

আমন্ত্ৰণ পাই দুয়োগৰাকী সামন্ত ৰজায়েই নিজ নিজ পুত্ৰীক লগত লৈ সিংহপুৰীলৈ আহিল।

তেতিয়া মহাৰাজ হিমদত্তই দুয়োকো ক'লে, "মোৰ আমন্ত্ৰণ পাই আপোনা-লোক অহাত মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। মই আপোনালোকক আপোনা-লোকৰ নিজ নিজ পুত্ৰীৰে সৈতে কিয় আমন্ত্ৰণ জ্ঞাপন কৰিছিলোঁ, নিশ্চয় অৱগত হৈছে। ৰাজকুঁৱৰী বিজয়মাধৱী আৰু পূৰ্ণবিন্দুৰ মাজত কোনজনী যে শ্ৰেষ্ঠ সুন্দৰী—সেই কথা সেইদুজনীৰ চিত্ৰ বাৰে বাৰে চায়ো স্থিৰ কৰিব নোৱাৰিছোঁ। গতিকে—মই মোৰ মহিমাময় দৰ্পণৰ সহায়ত এই জটিল সমস্যাৰ প্ৰকৃষ্ট সমাধান কৰিম বুলি ভাবিছোঁ।"

হিমদত্তৰ কথা শুনি ৰাজকুঁৱৰী পূৰ্ণাবিন্দু তৎমুহূৰ্ততেই দৰ্পণৰ আগত থিয় দিলে। কিন্তু ৰাজকুঁৱৰী বিজয়মাধৱীয়ে ইতিকিঙৰ সুৰেৰে কিন্তু মিচিক-মাচাক হাঁহিৰে ক'লে, "মই এই কথাটি এতিয়াহে বুজি পালোঁ যে—আমাৰ যুৱৰজা দৃষ্টিহীন। কোনোবা দৃষ্টিহীনক মই বিবাহ কৰাব নোৱাৰিম, আৰু সেই কাৰণে দৰ্পণৰ আগতো থিয় নহ'ম মই সৌন্দৰ্য্যৰ শ্ৰেষ্ঠতা নিৰ্ধাৰণৰ বাবে।"

দেখাত কামদেৱহেন তথা ইন্দ্ৰতুল্য মহাৰাজ হিমদত্তক এনেবোৰ অভব্য কথা কোৱাত বিজয়মাধৱীৰ পিতৃ ভয়ত ঠৰ হ'ল, জানোচা মহাৰাজে এইবাৰ তেওঁৰ ওপৰত কিখিনি দণ্ড বিহিব!

বিজয়মাধৱীৰ কথাত হিমদত্তৰ খং মুঠাৰৈ নাছিল, কিন্তু মুহূৰ্ততে তেওঁৰ

সেই খং জামৰি আহিল, তেওঁ নিজক চম্ভালি ল'লে, তেওঁ এনেকৈ হাঁহিলে—যেনিবা বিজয়মাধৰীৰ শিশুসুলভ কথাত তেওঁ ৰংহে পোৱা হৈছে!

মহাৰাজ হিমদত্তই বিজয়মাধৰীৰ পিতাকক ক'লে, "আপোনাৰ পুত্ৰীক মই বিবাহ কৰিম বুলি স্থিৰ কৰিছোঁ। যদি মাধৰীৰো মত আছে—অনতিপলমে এই বিবাহৰ প্ৰস্তুতি লওক।"

হিমদত্তৰ এনেহেন আকস্মিক সিদ্ধান্তৰ ফলত ৰাজকুঁৱৰীদ্বয় আৰু তাত উপস্থিত অন্যান্য উচ্চপদস্থ ৰাজকৰ্মচাৰী বৰ্গও ভেবাচেকা খাই পৰিল। কিন্তু যথাসম্ভৱ শীঘ্ৰেই মহাৰাজৰ সৈতে বিজয়মাধৰীৰ বিবাহ ধুমধামৰে অনুষ্ঠিতো হৈ গ'ল।

*

বিবাহৰ এমাহমানৰ অন্তত ৰাজ-প্ৰাসাদৰ অন্তেঃপুৰৰপৰা মহাৰাণীৰ চন্দ্ৰহাৰ চুৰি হ'ল। অন্তেঃপুৰৰ এজন কৰ্মীয়েই এই চন্দ্ৰহাৰ চুৰি কৰি উদ্যানবনৰ এক গছৰ খোৰোঙত থৈ দিছিল, আৰু যেতিয়া থৈছিল, তেতিয়া মল্লিকা নামৰ লিগিৰী এজনীয়ে ঘটনাটো দেখা পাইছিল।

পাছত ভদ্ৰ নামৰ চোৰটোৱে যেতিয়া মল্লিকাই সেই মহামূল্য হাৰধাৰ খোৰোঙৰ-পৰা নিজৰ ঘৰলৈ লৈ গৈছিল।

আৰু যেতিয়া ৰাণী বিজয়মাধৰীৰ

চন্দ্ৰহাৰ চুৰিৰ কথা বিদিত হৈ পৰিল, তেতিয়া মহাৰাজ হিমদত্তই প্ৰাসাদৰ সকলো কৰ্মীক দাপোণৰ আগত থিয় কৰালে আৰু দৰ্পণক সুধিলে যে চোৰ কোন। এজন দুজনকৈ দৰ্পণৰ সমুখেদি গৈ থাকিল, আৰু মহাৰাজে দৰ্পণক সুধি থাকিল চোৰ কোন।

মল্লিকা আছিল ভদ্ৰৰ পিছত। যেতিয়া ভদ্ৰ আৰু মল্লিকাৰ পাল পৰিল দৰ্পণৰ আগেদি যাবলৈ, তেতিয়া ভদ্ৰ ঘামি থাকিল আৰু মল্লিকাৰ মুখ আচন্দ্ৰাই কৰি থাকিল। যি কি নহওক, এইবাৰ দৰ্পণে ক'লে, "এইজন মানুহ চোৰ।"



মহাৰাজৰ ইংগিতত ৰাজপ্ৰহৰীহঁতে ভদ্ৰক ধৰি একাষৰীয়াকৈ থিয় কৰালে।

আৰু ঠিক তেতিয়াই মহাৰাণীয়ে ৰাজপ্ৰহৰীহঁতলৈ চাই ক'লে, "সৌজনীক —সৌ মল্লিকাজনীকো ধৰা!"

মহাৰাজে ভুৰু কোঁচাই মহাৰাণীক সুধিলে, "দৰ্পণে তো—কেৱল ভদ্ৰকে চোৰ বুলি ক'লে তেনেস্থলত—তুমি মল্লিকাকো ধৰাৰ বাবে আদেশ দিলা যে—? কথানো কি "

মহাৰাণী বিজয়মাধৱীয়ে ক'লে, "মল্লিকাৰ হাৰ-ভাৰ মই বহুসময় ধৰি চাইহে এই সিদ্ধান্ত লৈছোঁ। এই চুৰিত তাইৰো হাত আছে বুলি মোৰ মনত দৃঢ় ধাৰণা হৈছে।"

তেতিয়া মহাৰাজ হিমদন্তই মল্লিকাক ডাবি-ধমকি দিয়াত মল্লিকাই সকলো কথা মহাৰজক কৈ দিলে, আৰু সেই চন্দ্ৰহাৰ তাইৰ ঘৰৰপৰা আনি দিলে।

মহাৰাজে সেই চন্দ্ৰহাৰ মহাৰাণী বিজয়মাধৱীৰ ডিঙিত পুনৰ পিন্ধাই দিলে আৰু বিজয়মাধৱীৰ সূক্ষ্মদৃষ্টিৰ ভৰপূৰ প্ৰশংসা কৰিলে।

তাৰ পাছত— সকলো মানুহ-মুনিহ যেতিয়া তাৰপৰা গুচি গ'ল, তেতিয়া মহাৰাজে মহাৰাণীক ক'লে, "এই মহিমাৱান দৰ্পণেৰে ভাল কাম কৰাৰ লগতে বেয়া কামও কৰাৰ সম্ভাৱনা নথকা নহয়। আৰু—এই মহিমাৱান দৰ্পণৰ বিশেষ কুফল হ'ল এয়ে যে—এই দৰ্পণে মনুষ্যৰ বুদ্ধিমত্তাক একেবাৰে নোহোৱা কৰি পেলায়। সকলো কথাত দৰ্পণৰ ওপৰত নিৰ্ভৰশীল হৈ পৰাত—আনকি ৰাজকাৰ্য্যতো মই মনোনিবেশ নকৰা হৈছোঁ আৰু মোৰ দৰ্পণ-নিৰ্ভৰ ৰাজ্য-শাসনৰ ফলত প্ৰজাবৰ্গৰো কিছু অমংগল হোৱা যেনেই পাইছোঁ। গতিকে—এই দৰ্পণ গুৰুদেৱক ওভোতাই দিম।"

এই কাহিনী কোৱাৰ অন্তত বেতালে

ৰজা বিক্ৰমাদিত্যক ক'লে, "হে ৰাজন্! দৰ্পণে বেয়া কামও কৰিব পাৰে বুলি ৰজা হিমদত্তই যি ধাৰণা কৰিছিল—সেই ধাৰণাৰ গুৰিত কিবা প্ৰকৃত সত্য আছেনে? এই ধাৰণা কৰাৰ যথাসংগত কাৰণো দেখা নাই। তেনেহ'লে—ইমান মহিমাৱান দৰ্পণখন কিয় মহাৰাজ হিমদত্তই তেওঁৰ গুৰুদেৱক ওভোতাই দিয়াৰ সিদ্ধান্ত ল'লে? সঠিকৈকে জানিও যদি মোৰ প্ৰশ্নৰ সঠিক উত্তৰ নিদিয়া, তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব বুলি নিশ্চয়কৈ জানিবা।"

বেতালৰ প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যই ক'লে, "দৰ্পণৰ মহিমা থকাৰ কথা মহাৰাজ হিমদত্তই অস্বীকাৰ কৰা নাই; কিন্তু দৰ্পণৰ মহিমাৰো যে সীমাৱদ্ধতা আছে—সেই কথাতো সন্দেহ নাই। যেনে—দৰ্পণে সিংহলদেশৰ বীৰ তিনিজনৰ ক্ষেত্ৰত কোনো উত্তৰ দিব পৰা নাছিল। ৰাজকুঁৱৰীদ্বয়ৰ সৌন্দৰ্য্যৰ শ্ৰেষ্ঠতাৰ বিষয়ে—এখন দৰ্পণে যি ক'ব সেয়ে হ'ব—এই কথাত ৰাজকুঁৱৰী বিজয়-মাধৱীয়ে অপমান বোধ কৰাতহে মহাৰাজ হিমদত্তক 'দৃষ্টিহীন' বুলি কৈছিল, আৰু পোনতে খং উঠিছিল যদিও, তথাপি —ৰাজকুঁৱৰী বিজয়মাধৱীৰ কথাত যুক্তি আছে—এই বুলি ভাবিয়েই হিমদত্তই বিজয়মাধৱীকে বিবাহ কৰাৰ সিদ্ধান্ত লৈছিল। কিয়নো — বিজয়মাধৱীয়েই মহাৰাজ হিমদত্তক বুজাই দিছিল যে—যিকোনো মানুহ যদি দৈৱ-মহিমাৰ ওপৰত নিৰ্ভৰশীল হৈ আপোন বুদ্ধিমত্তাক বিসৰ্জন দিয়ে—সেই দৈৱ-নিৰ্ভৰ মানুহৰ ওপৰত নিৰ্ভৰ কৰিব নোৱাৰি।"

ৰজা বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে সেই মৃতদেহটোৰে সৈতে পুনৰ সাউতকৰে সেই গছজোপালৈ গুচি গ'ল। [কল্পিত

কাম-চোৰ কাক বোলে

সাগৰপৰীয়া ময়ূৰনগৰ নামৰ ঠাইত মণিৰাম নামৰ এজন বণিজাৰ আছিল। বেপাৰ-বণিজৰ হিচাপ ৰাখিবলৈ তেওঁ ভালেমান কৰ্মচাৰী ৰাখিছিল, কিন্তু সেই কৰ্মচাৰীইঁতৰ অধিকভাগেই আছিল কাম-চোৰ। সিহঁতে গপ-চপ মাৰি দিন পাৰ কৰিছিল।

কিন্তু কীৰ্তি নামৰ কৰ্মী এজন আছিল অতি সৎ। নিজৰ কাম তো কৰিছিলেই, আনৰ নকৰা কামো কৰি-ধৰি দিছিল।

কিছুমানে যে কাম-বন একেবাৰেই কৰা নাই, মণিৰামে সেই কথা নজনাকৈ নাথাকিল। তেওঁ কৰ্মচাৰীইঁতক সতৰ্ক কৰি ক'লে, "ময়ো দেখি আছোঁ, যদি এইদৰেই চলি থাকে, মই কিন্তু তোমালোকক কাম-চোৰ বুলি ক'ম।"

কিছুমানে মালিকৰ কথাত গুৰুত্ব দিলে, আৰু কাম-বন ঠিকমতে কৰিবলৈ ধৰিলে। কিন্তু আন কিছুমান আগৰ দৰেই থাকিল, আৰু সিহঁতৰ কামখিনি কীৰ্তিয়ে কৰি থাকিল।

কিছুদিনৰ অন্তত মণিৰামে কৰ্মচাৰীইঁতক গোটখুৱালে আৰু ক'লে, "তোমালোকৰ মাজত আচল কাম-চোৰ কোন—মই বিচাৰি উলিয়ালোঁ। কীৰ্তিয়েই হ'ল আচল কাম-চোৰ। কাম-বন নকৰাকৈ বহি থকাইঁতেই কেৱল কাম-চোৰ নহয়, আনৰ কাম কৰি দিয়াইঁতো কাম-চোৰ।"

তাৰ পাছত কীৰ্তিয়ে নিজৰ কাম-বনৰ ধৰণ-কৰণ সলাইছিল। তাৰ ফলত, সি যিহঁতৰ কাম-বন কৰি-ধৰি দিছিল, সিহঁতে নিজৰ কাম নিজেই কৰা হৈছিল, কিয়নো কীৰ্তিয়ে আৰু আনৰ কাম কৰি-ধৰি দিয়া নাছিল।



সাগৰৰ পাৰে পাৰে-১

কচ্ছ আৰু সৌৰাষ্ট্ৰ

ৰচনা : মীৰা নায়াৰ * অংকন : গোপকুমাৰ



আমাৰ ভাৰতৰ সাগৰতীৰ
থিৱীৰ দীৰ্ঘতম সাগৰতীৰ।
এই সাগৰতীৰ ৭৫০০
কিল'মিটাৰতকৈয়ো অধিক
দীৰ্ঘ। ভাৰতৰ সাগৰৰ
পাৰে পাৰে আছে বালি-শিলৰ
থিয়-পাহাৰ, বাম হ্ৰদ,
মাইলৰ পাছত মাইল
বিয়পা সাগৰ-বালি,
কত যে সুউচ্চ স্মৃতিচিন,
প্ৰত্নপ্ৰাচীন আৰু আধুনিক
সামুদ্ৰিক বন্দৰ, নগৰ-চহৰ,
আৰু মাছমৰীয়া-গাঁৱঁৰ সমদল।
সাগৰৰ পাৰে পাৰে আমাৰ ভ্ৰমণ গুজৰাটৰ
কচ্ছৰপৰা আৰম্ভ কৰা হৈছে ......।

কচ্ছৰ পূব আৰু উত্তৰ দিশত এক নির্জন-বিস্তীর্ণ লুনীয়া বালিৰ মৰুভূমি পৰিলক্ষিত হয়, যিডোখৰ ঠাইক **কচ্ছৰ ৰান্** বুলি কোৱা হয়।

জাৰকালি ইয়ালৈ আহে জাক জাক প্ৰবাসী পক্ষীকুল, যিবোৰে হাজাৰ হাজাৰ মাইল উৰি উৰি ইয়ালৈ আহে।

ভাৰতত একমাত্ৰ কচ্ছৰ ৰানতহে ফ্লেমিংগো চৰায়ে কণী দিয়ে।

এই অঞ্চলৰ এক বিশেষ প্ৰাণী হ'ল **ঘোড়খৰ** (ঘোঁৰা-গাধ), যাঁক ইংৰাজিত 'ওৱাইল্ড অ্যাছ' বুলি কোৱা হয়। এই ঘোড়খৰৰ গাৰ বৰণ ঈষৎ ৰঙচুৱা-হালধীয়া, আৰু এই প্ৰাণীৰ গাত মৰুভূমিৰ জাহাজ বুলি খ্যাত উটৰ গুণ আছে, ঘোড়খৰেও পানী নোহোৱাকৈ বহু সময় থাকিব পাৰে। ঘোড়খৰক সংৰক্ষণৰ বাবে ১৯৭৬ চনত ৪৮৪০ বৰ্গ-কিলোমিটাৰলৈকে ধাংগাধ্ৰা অভয়াৰণ্য নিৰ্মিত হৈছে।

ঘোড়খৰ (বনৰীয়া গাধ)

কিন্তু ১৯৬৪ চনত ভাৰত-পাক সংঘৰ্ষৰ ফলত এই অভয়াৰণ্যৰ নিৰ্জনতা বিৰাটভাৱে ভংগ হৈছিল।

কচ্ছ অঞ্চলৰ প্ৰধান প্ৰধান সামুদ্ৰিক বন্দৰৰ অন্যতম হ'ল—মাণ্ডৱী, মুন্দ্ৰা, জাখাউ, লখপৎ, কোটেশ্বৰ আৰু কণ্ডলা (এয়ে শুদ্ধ উচ্চাৰণ) এই সুপ্ৰাচীন সামুদ্ৰিক বন্দৰৰ মাজত মাণ্ডৱীয়েই আটাইতকৈ ডাঙৰ তথা তাৎপৰ্যপূৰ্ণ। অতীতকালত মালাবাৰ, মস্কট আৰু আফ্ৰিকীয় দেশসমূহৰপৰা ইয়ালৈ বিধোবিধো দ্ৰব্য-সামগ্ৰী—যেনে, খেজুৰ, পশুচৰ্ম, কাষ্ঠাদি, ইলাচী, দালচেনি, ৰেছম আদি জাহাজেৰে লৈ অহা হৈছিল, আৰু ভাৰতৰপৰা কপাহ, বস্ত্ৰাদি, চিনি, তেল, মাখন, ফিটকিৰী আদি কঢ়িয়াই লৈ গৈছিল। তেতিয়াৰকালত কচ্ছৰ বণিজাৰসকলে সাগৰ পাৰ হৈ বেপাৰ-বণিজলৈ ওলাইছিল।

কচ্ছৰ তদানীন্তন অন্যতম শাসক তৃতীয় মহাৰাওল খেংগাৰজীয়ে কণ্ডলা বন্দৰক আধুনিক ৰূপ দান কৰিছিল। তেওঁৰ আন্তৰিক প্ৰচেষ্টাৰে ১৯৫৫ চনত তাত অতি আধুনিক বন্দৰ নিৰ্মিত হৈছিল। কণ্ডলা হ'ল ভাৰতৰ প্ৰথম কৰমুক্ত বন্দৰ বাণিজ্য-অঞ্চল (ফ্ৰি ট্ৰেড জোন)। এছিয়া মহাদেশৰ সৰ্ববৃহৎ লোণ তৈয়াৰৰ কেন্দ্ৰও ইয়াতে অৱস্থিত।



হিন্দুসকলৰ চাৰিধামৰ অন্যতম হ'ল দ্বাৰকাপুৰী। দ্বাৰকাপুৰী সৌৰাষ্ট্ৰত অৱস্থিত। পুৰাণৰ মতে: দ্বাপৰ যুগত সমুদ্ৰ-দেৱতাই দ্বাৰকাপুৰী নগৰ সাজিবলৈ শ্ৰীকৃষ্ণক ১২ যোজন ভূমি দিছিল। আৰু শ্ৰীকৃষ্ণৰ মৃত্যুৰ পাছত সমুদ্ৰ-দেৱতাই পুনৰ এই ভূমিভাগ

দ্বাৰকাপুৰীৰ মন্দিৰ

ঘূৰাই লৈছিল। সমুদ্ৰতত্ত্ববিদসকলে সেই সুপ্ৰাচীনতম দ্বাৰকানগৰৰ ভগ্নাৱশেষ পাইছে বুলি কৈছে।

বালি-শিলৰ অন্যতম নগৰ **পোৰবন্দৰ**ত মহাত্মা গাঁধীৰ (গান্ধীজী) জন্ম হৈছিল। ইয়াৰেপৰাই সুবিখ্যাত সোমনাথ মন্দিৰলৈ যোৱাৰ পথ আৰম্ভ হৈছে, গাঁধীজীৰ জন্মস্থান **কীৰ্তিমন্দিৰ** বুলি এতিয়া অভিহিত। এই কীৰ্তিমন্দিৰত গাঁধীজীৰ জন্ম-কক্ষ, সূতা-কটা-কক্ষ, প্ৰাৰ্থনা-কক্ষ বিদ্যমান। কীৰ্তিমন্দিৰৰ উচ্চতা ৭৯ ফুট, কিয়নো, গাঁধীজী ৭৯ বছৰলৈ আমাৰ মাজত আছিল।

ইয়াত জনশ্ৰুতি, পোৰবন্দৰৰ প্ৰাচীন নাম আছিল সুদামাপুৰী। শ্ৰীকৃষ্ণই তেওঁৰ মিত্ৰ সুদামাৰ কাৰণে হেনো এই পুৰী নিৰ্মাণ কৰিছিল।

দ্বাৰকাৰ আগতে প্ৰভাস পাতনত আৰবসাগৰৰ তটত সোমনাথ মন্দিৰ দৰ্শনীয়। ভাৰতৰ দ্বাদশ জ্যোতিৰ্লিঙ্গৰ অন্যতম সোমনাথ মন্দিৰৰ নিৰ্মাণকাল হ'ল প্ৰথম খৃষ্টাব্দ।



সোমনাথ মন্দিৰ

এই মন্দিৰৰ ধনৈশ্বৰ্য্য অতুলন। বিশেষকৈ বণিজাৰসকলৰ ধনেৰেই এই মন্দিৰ ইমান ঐশ্বৰ্য্যময় হৈছিল। এই মন্দিৰৰ গৰ্ভগৃহস্থিত দীপাধাৰ অমূল্য ৰত্নখচিত আছিল, মন্দিৰৰ বিশাল ঘণ্টা আছিল খাঁটি সোণেৰে নিৰ্মিত। এই মন্দিৰৰ অপাৰ সম্পদেই ইয়াৰ ধ্বংসৰ বাট কাটিছিল। ১০২৫ খৃষ্টাব্দত মাহমুদ গজনীয়ে এই মন্দিৰ ধ্বংস কৰি লুণ্ঠন কৰিছিল আৰু এশ হস্তী, অসংখ্য উট আৰু অন্যান্য ভাৰবাহী পশুৰ পিঠিত বোজাই কৰি লুণ্ঠনৰ অপাৰ সামগ্ৰী কঢ়িয়াই লৈ গৈছিল।

এই আক্ৰমণৰ পাছত গুজৰাট আৰু মালওৱাৰ ৰাজসকলে এই মন্দিৰৰ পুনৰ্নিৰ্মাণ কৰিছিল; কিন্তু তাৰ পাছতো সাত বছৰত ছবাৰ সোমনাথ মন্দিৰ ধ্বংস কৰি লুণ্ঠন কৰা হৈছিল। বৰ্তমান সোমনাথ মন্দিৰ, অতীতকালৰ প্ৰচীনতম ঠাইডোখৰত ভাৰতৰ প্ৰথমগৰাকী ৰাষ্ট্ৰপতি ড° ৰাজেন্দ্ৰপ্ৰসাদৰ উদ্যোগত ১৯৫৯ খৃষ্টাব্দৰ ১১ মে'ৰ দিনা এই সোমনাথ মন্দিৰত শিৱলিঙ্গৰ প্ৰাণ-প্ৰতিষ্ঠা কৰা হৈছিল।

© Amrita Bharati, Bharatiya Vidya Bhavan 1995

ভূতৰপৰা অদ্ভুত

ৰোৱাৰী হৈ এই ঘৰলৈ অহাৰ বৰ বেছি দিন হোৱা নাই অনিমাৰ। গিৰিয়েক অসংগও মানুহজন ভালেই ; কিন্তু অনংগই তাক লালি-পালি ডাঙৰ-দীঘল কৰা পেহীয়েকক বৰ ডৰায়। আৰু—এই কথাতহে অনিমাৰ অস্বস্তি। পেহীয়েকৰ ডৰত অনংগও ঠৰ, অনিমাও। যেই কোনে টানোৰো টান কাম ভালৰো ভালকৈ কৰিলেও পেহীয়েকে খুঁত উলিয়াবই, আৰু দিনৰ দিনটো গালি পাৰি থাকিবই, আনকি—কেতিয়াবা দুই-এক ঠলামূৰিও।

গিৰিয়েকক তাই বহু বাৰ এই কথা কৈছে, গিৰিয়েকৰ সিদ্ধান্তৰ বাবে ৰৈছে, কিন্তু তাইৰ কথন-মথন মিছা হৈছে। আৰু শেহান্তৰত—এদিন তাই আত্মঘাতী হ'ব বুলিহে থাটাং কৰিলে।

অনিমাই এনিশা—গিৰিয়েক অনংগ যেতিয়া কিবা এক বিশেষ কামলৈ চহৰলৈ গ'ল, আৰু পাছদিনা চহৰপৰা ঘূৰিব বুলি কৈ গ'ল — তেতিয়া তাই আত্মহত্যা কৰিবলৈ ঘৰৰপৰা আন্ধাৰে-মুন্ধাৰে ওলাল আৰু চিপ জৰী ল'বলৈ পোনে পোনেই গাঁৱৰ সীমাত থকা আওপুৰণি বৰগছ-জোপাৰ কাষ চাপিল।

সেই নিশা সেই বৰগছৰ তলত বহি এজন শ্মশানাচাৰী তান্ত্ৰিকে ভূত-সাধনা কৰি আছিল। এই দোভাগ নিশা বোৱাৰী এজনী ইয়ালৈ অহালৈ চাই তান্ত্ৰিকে তৰধ মানি সুধিলে যে কথা কি।

তান্ত্ৰিকৰ প্ৰশ্নৰ উত্তৰত অনিমাই ক'লে তাইতে দুখৰ কথাবোৰ।

তান্ত্ৰিকে মিঠাকৈ হাঁহিৰে অনিমা-

নিৰ্মল শৰ্মা

জনীক ক'লে, "শুনা, এই চিচাটো লোৱা। এই চিচাটোৰ ভিতৰত এটা ভূত আছে। তোমাৰ যেই কোনো টানৰো টান কাম এই ভূতটোৱে চকুৰ পচাৰতে কৰি দিব। কিন্তু মাত্ৰ এশবাৰলৈ এই সুবিধা পাবা। এশবাৰৰ অন্তত—তাক চিচাটোৰ ঠিলা খুলি মুক্ত কৰি দিবা।"

অনিমা পুনৰ ঘৰলৈ উভতি গ'ল। তাই যে ৰাতিৰ পৰতে ক'ৰবালৈ ওলাইছিল—সেই কথা কোনেও নাজানিলে।

ৰাতিও পুৱাল, আৰু পেহীয়েকৰ পেনপেননি-চিঞৰণিও আৰম্ভ হ'ল। পেহীয়েকে চিঞৰি চিঞৰি অনিমাক হোৰাই-নোহোৰাই গালি পাৰি থাকিল আৰু কৈ থাকিল, "বোলোঁ ঐ থেকাৰ-খাতী, আজি যে আমাৰ বছৰেকীয়া উছৰ—খবৰেই নাইনে তোৰ? ঘৰ চাফ-চিকুণ কৰা অলিপন দিয়া, বেলপাত—কলাপাতেৰে সজোৱা আদি কাম কোনে বুলি ভাবি থৈছে তই? কেইটা লিগিৰা-লিগিৰী ৰাখিছনো? জল্দি উঠ, জল্দি কৰ, নহ'লে মৰ্ ঐ মৰতী।"

অনিমাৰ মনত পৰিল চিচা-ভূতৰ কথা। তাই চিচাৰ ঠিলা খুলি ভূতটোক উলিয়াই আনি তাইৰ কামৰ আৰু দুখৰ কথাখিনি ক'লে ভূতটোক।

চিচা-ভূতে অনিমাক ক'লে, "একদম চিন্তা নকৰা। তোমাৰ চব কাম টিলিকতে



খতম্ কৰি দিম মই।

কিছু সময়ৰ পাছত পেহীয়েক বিছানা এৰি উঠিল আৰু বোৱাৰীক কেনেকৈ পোতনি-থেকেচা দিব—তাৰ আঁচনি কৰি থাকিল। কিন্তু পাছত — সকলোখিনি কাম-কাজ একেবাৰে পৰিপাটিকৈ হোৱা দেখি পেহীয়েকে তেওঁৰ আঁচনি ধোঁৱাচাঙত তুলি থ'বলৈ বাধ্য হ'ল।

সেই দিনাই আবেলিপৰতে অনিমাৰ মাক-দেউতাক ছোৱালীৰ ঘৰলৈ আহিল, আৰু পেহীয়েকেও তেওঁলোকক জোখে-জোখাৰেই আদৰ-সাদৰ কৰিলে। তেওঁলোক তাত দুদিনমান ৰ'ল, আৰু পাছত বিদায় লৈ গুচি গ'ল, পেহীয়েকেও পুনৰ বোৱাৰীয়েকক পেটা কৰিবলৈ পাং পতৰ কথা ভাবি থাকিল। ভাবি ভাবি পেহীয়েকে অনিমাজনীক মাতিলে আৰু ক'লে, "দিনৰ দিনটো ৰঙেৰে গা নচুৱাই —লাখৰ-বাখৰ কৰি থাকিলে ন'হব নহয়? সৌ কাপোৰ-কানিকণ প্ৰথমতে কুঁৱাৰ পানীৰে চাফা কৰিবা আৰু পাছত নিজৰাৰ পানীৰে ভালকৈ ধুই আনি শুকুৱাবলৈ মেলি দিবা। কুঁৱাৰ পানীৰে বৰ বয়া বয়া গোন্ধায় দেখিছে তোমাক এয়া—ওচৰৰ নিজৰালৈ যাবলৈ কৈছোঁ।"

কাপোৰ-কানি'কণ'—লৈ চাই অনিমাৰ চকু ঘূৰিয়ে ঢেলুকা দিলে। কাপেৰ-কানি'কণ' হ'ল—আচলতে কাপোৰৰ এটি





সকলুৰা টিলাহে! কেনেকৈনো তাই ইমানবোৰ কাপোৰ-কানি ধুবাবকৈ ধুব আৰু শুকাবলৈ দিব?

গতিকে—পুনৰ চিচা-ভূতৰ সহায় লোৱা হ'ল তাই, আৰু এঘণ্টামানৰ পাছত ঘূৰি পেহীয়েকে—ইমানবোৰ কাপোৰ-কানি চাফা কৰি শুকুৱাই আজৰি হোৱা দেখি আচৰিত মানি আনকি তাইক গালি-ছালি পৰিবলৈকো পাহৰি থাকিল; কিন্তু সেইবুলি অনিমাজনীলৈ কোনেবিধৰ শৰাই আগ নবঢ়ালে পেহীয়েকে, সেই-বোৰত পেহীয়েক নাই। কিন্তু পেহীয়েকে ভাবি থাকিল: কথানো কি—? তিনি-দিনৰ কমে যিকাম নহয়—কেনেকৈনো তাই মৰতীয়ে এদিনতে কৰিলে? তাইৰ মাজত নিশ্চয় কিবাধৰণৰ মায়াবী ক্ষমতা আছে, নহ'লে কোনকৈ এনেকৈ কৰি আছে? যেইকি নহওক—মোৰ পক্ষে ভয়ৰ কোনো কাৰণ নোদেখোঁ, কিয়নো—তাইত যিমান দৈৱীশক্তি-মায়াবী শক্তিয়েই নাথাকক — তাই নিজেই মোৰেই মুঠিত।

আৰু তেতিয়াৰপৰা পেহীয়েকে অনিমাজনীৰ ওপৰত অসাধ্য কামবোৰ জাপি দি থকা হ'ল আৰু তেওঁ নিজে হাত-ভৰি কোঁচাই খাট তচিত-ভোলোভা হৈ থকা হ'ল।

কেনেকৈ তিনি মাহতে সেই চিচা-ভূতে অনিমাৰ কাৰণে আঠাল্লৈ বাৰলৈ অসাধ্য-দুঃসাধ্য কমেবোৰ কৰি দিলে। আৰু মাত্ৰ দুইবাৰহে বাকী থাকিল।

: এই দুইবাৰৰ পাছত চিচা-ভূতে চিৰজীৱনৰ বাবে মুক্তি পাব, কিন্তু মই চিৰজীৱনৰ বাবে চাকৰণী হৈ ইয়াতে—এই নৰকতে বন্দী হৈ থাকিব লাগিব। —অনিমাই ভাবি থাকিল।

কিন্তু তাই বেছিপৰলৈ ভাবিবলৈ নহ'ল, ভাবিবলৈকো তাইৰ আজৰি নাই।

কিয়নো — সিপিনে চিঞৰণি-গৰজনি আৰম্ভ হৈছেই, “বোলোঁ। ঐ জহনীত যাইতী — তই বহি বহি ঠেং মেলি ৰং চাবি আৰু মইহেনে খাটি মৰিম? কুঁৱাৰ পানী লুণীয়া, নিজৰাৰপৰা কেই কলহমান পানী আহিবলৈ কঁকাল পোনাই উঠি থিয় দিব নোৱাৰিছনে তই? নিজৰাৰ পানী আনি কুঁৱাত ঢাল, তেহে কুঁৱাৰ পানী হ'ব ভালৰো ভাল, নিমখে-মিঠাই মিলি সোৱাদৰো সোৱাদ হ'ব, খোৱাই খাই-পিয়াই পি মজা পাব।”

নিজৰাৰপৰা কলহকে কলহ পানী কঢ়িয়াই আনি কুঁৱাত ঢালিব লাগিব! তাই বাধ্যত পৰি এইবাৰো চিচা-ভূতৰ শৰণ ল'লে।

শুনি চিচা-ভূতে ক'লে, “শুনা, তুমি এটা কাম কৰা। মই এই কামটোও কৰি দিম, কিন্তু তাৰ পাছত আৰু মাত্ৰ এবাৰহে। সেই শেষ বাৰত—” ক্ষন্তেকমান ৰৈ চিচা-ভূতে পুনৰ ক'লে, “কওঁনে কথাটো?”

“কোৱাঁ!” অনিমাই কিঞ্চিত আচৰিত হোৱাৰ ভাৱেৰে ক'লে।

চিচা-ভূতে সেপ ঢুকি ক'লে, “মানে —তোমাৰ দেখিছোঁ—এই পেহীয়েৰাৰ কবলৰপৰা নিস্তাৰ নাই। গতিকে—কাম এটা কৰা। শেষবাৰত তুমি মোক মাতিবা আৰু মোক ক'বা যে—এই পেহীয়েৰাক মাৰি পেলোৱা। মই মাৰি তৎক্ষণাৎ তেওঁক এই চিচাত ভৰাই দিম। বছ, এবাৰ চিচাত ভৰাব পাৰিলেই—খেল্ খতম্ পইচা হজম্!”

কিন্তু সিদিনাৰেপৰাই পেহীয়েকৰ মাজত এক অদ্ভুত পৰিৱৰ্তন হ'ল। তেওঁ আৰু অনিমালৈ ৰাও শাৱদকে নকৰা হ'ল। কিয়নো—ভূতৰ অদ্ভুত আঁচনিৰ কথা তেওঁ আঁৰত থাকি শুনিছিল আৰু নিজৰ মুখত নিজেই সোপা দিছিল।

জনা আৰু কণা

মাগুৰদেশৰ মহাৰাজে তেওঁৰ পুত্ৰী মালতীমালাৰ স্বয়ম্বৰ পাতিলে আৰু এই স্বয়ম্বৰৰ বাবে দেশ-বিদেশৰ অনেক ৰজালৈ নিয়ন্ত্ৰণ-পত্ৰ পঠালে। মাগুৰদেশৰ চুবুৰীয়া দেশখনৰ নাম ত্ৰিশাম্বিদেশ। ত্ৰিশাম্বিৰ যুৱৰাজ সন্দীপে মালতীমালাৰ ৰূপ-সৌন্দৰ্য্যৰ খ্যাতি বহুদিনৰেপৰাই শুনি আছিল, গতিকে— তেওঁ মালতীমালাক বিবাহ কৰাবলৈ মন মেলি স্বয়ম্বৰৰ কিছু আগতীয়াকৈয়েই মাগুৰদেশৰ ৰাজধানী পালেগৈ। যুৱৰাজ সন্দীপৰ দৃঢ়ধাৰণা আছিল যে মালতীমালাই যদি তেওঁক দেখা পায়, অন্য কাকো বৰমালা দিব নোৱাৰে।

যি কি নহওক, তেওঁ মাগুৰদেশৰ ৰাজধানী পাই অন্যান্য যুৱৰাজ-ৰজা আদিৰ দৰে ৰাজসভালৈ নগ'ল। তেওঁ ভাবিলে: ঠিক স্বয়ম্বৰৰ দিনা যাম, আৰু মালতীমালাক জানি লৈ আহিম। গতিকে যুৱৰাজ সন্দীপ নগৰ-পৰিদৰ্শনলৈ ওলাল।

গৈ গৈ এঠাইত যুৱৰাজ সন্দীপে এক পুৰণি মন্দিৰৰ দেৱালত এখন জাননী দেখা পালে, যিখন জাননীত 'ভাটৌ-জ্যোতিষী'ৰ কথা লিখা আছিল। লিখা আছিল, ভাটৌ জ্যোতিষীক চাবলৈ প্ৰবেশ মূল্য এটকা।

যুৱৰাজ সন্দীপে এটকাৰে প্ৰবেশপত্ৰ কিনি মন্দিৰৰ ভিতৰলৈ গ'ল, আৰু লগে লগে এটা ডাঙৰ ভাটৌৱে কৈ উঠিল:

'ত্ৰিশাম্বিৰাজ্যৰ যুৱৰাজ স্বাগতম্, সুস্বাগতম্! আপুনি আমাৰ ৰাজকুঁৱৰী মালতীমালাৰ স্বয়ম্বৰলৈ ইয়ালৈ আহিল, যেতিয়া আপুনি আমাৰ মিত্ৰ। আপোনাৰ

দীনেশ ভাগৱতী

মংগল হওক।' আহক—আহক।

ভাটৌৰ এই মাত শুনি যুৱৰাজ সন্দীপৰ গাত যেনিবা বিজুলীয়ে কোবাই গ'ল। কেৱল তেওঁৰ নামেই নহয়, তেওঁ কি কামত এই ঠাইলৈ আহিল—তাকো এই ভাটৌটোৱে জানে! আৰু—তেওঁ যে এজন ৰাজকোঁৱৰ— কে নে কৈ নো ভাটৌটোৱে ঠাৱৰ কৰিলে? ভাবি ভাবি তেওঁ ইমানকে বুজিলে যে তেওঁৰ ৰাজকীয় সাজ পাৰেই জানোচা জনাৰ কাৰণ।

তাৰ পাছত ৰাজকীয় সাজ-পোছাক সোলোকাই অতি সাধাৰণ পোছাক-পাতি পিন্ধি পুনৰ এটকাৰে প্ৰবেশপত্ৰ কিনি লৈ মন্দিৰৰ ভিতৰলৈ সোমালগৈ, আৰু সজাৰ ভিতৰত থকা ভাটৌৱে কৈ উঠিল :

'ত্ৰিশাম্বিদেশৰ ৰাজকোঁৱৰৰ দ্বিতীয় আগমন উপলক্ষ্যে স্বাগতম্ জনোৱা হৈছে, স্বাগতম্ আমাৰ ৰাজকুঁৱৰীৰ স্বয়ম্বৰলৈ যোগদানৰ বাবে অহা মিত্ৰলৈ। আপোনাৰ মংগল হওক।'

এইবাৰো যুৱৰাজ সন্দীপ অবাক হ'ল, নিৰ্বাক হ'ল এই বিস্ময়কৰ ভাটৌৰ কথা শুনি। এই সাধাৰণ পোছাক পিন্ধা অৱস্থাতো তেওঁক চিনি পোৱা হ'ল জ্যোতিষী ভাটৌটোৱে!

যুৱৰাজ সন্দীপৰ মনত কিবাধৰণৰ জিদ উপস্থিত হ'ল। ভাটৌটোক তেওঁ আকৌ পৰীক্ষা কৰি চাব।—কিন্তু চাব



কেনেকৈনো? তেওঁ বহু ভাবি ভাবি উপায় এটা উলিয়ালে।

তেওঁ তাৰপৰা তৎক্ষণাৎ ওলাই আহিল আৰু এখন ডাঙৰ কাপোৰৰ দোকানলৈ গ'ল, আৰু তেওঁ কিছুমিনি গেৰুৱা ৰঙৰ কাপোৰ কিনিলে, গেৰুৱা ৰঙৰ চেলা এটাও কিনিলে। তাৰ পাছত এক নাপিতৰ দোকানলৈ গৈ তেওঁ তেওঁৰ মূৰৰ চুলিকোচা খুৰুৱাই পেলালে।

তাৰ পাছত যুৱৰাজ সন্দীপে—ঠিক সাধু-সন্ন্যাসীৰ বেশত নহয়—পুৰোহিতৰ বেশ লৈ পুনৰ সেই জ্যোতিষী-ভাটো থকা ঠাইলৈ গ'ল, আৰু পুনৰ এটকাৰে প্ৰবেশ-পত্ৰ কিনি সোমালগৈ।

আৰু সেই জ্যোতিষী-ভাটোটোৱে কৈ উঠিল: 'আহক! আহক! ত্ৰিশাম্ব ৰাজ্যৰ ৰাজকোঁৱৰ! আপোনাৰ পুনৰাগমনলৈ আন্তৰিক অভিনন্দন। আমাৰ ৰাজকুঁৱৰী মালতীমালাৰ স্বয়ম্বৰ উপলক্ষ্যে আপুনিও বহুত কষ্ট কৰিলে। কিন্তু দুখৰ কথা—স্বয়ম্বৰৰ শুভ মুহূৰ্তহে আপুনি পাহৰি থাকিল, স্বয়ম্বৰৰ অন্ত পৰিল! আমাৰ ৰাজকুঁৱৰী মালতীমালাই বিশালদেশৰ ৰাজকোঁৱৰক পতিৰূপে বৰি ল'লে। যি কামলৈ আহিল, সেই কামকে পাহৰি থাকিল—ইয়াতকৈ দুখৰ কথা আৰুনো কি? মোক জনাৰ কৌতূহলেই আপোনাৰ কাল হ'ল। কৌতূহল-ভাল, কিন্তু অধিক কৌতূহল 'কাল' স্বৰূপ।'

এইবাৰ সন্দীপৰ মূৰ আচন্দ্ৰাই কৰি উঠিল। কথমপি নিজক চম্ভালি লৈ ভাবিলে: অধিক মাছত বগলী কণা হোৱাৰ দৰে অধিক জনাৰ ইচ্ছায়ো মানুহক কিজানি কণা কৰি পেলায়।

মনৰ দুখত আৰু ৰাজকীয় অতিথি-গৃহলৈ নুঘুৰি, সেই আধা-সন্ন্যাসীৰ তথা পুৰোহিতৰ বেশতে যুৱৰাজ সন্দীপ তীৰ্থ ভ্ৰমণলৈ বুলি খোজ ল'লে।



মহাভাৰত

১৮

দক্ষিণ সমুদ্ৰতটত থকা সৌভদ্ৰ তীৰ্থ পাই অৰ্জুনে স্নানাদি সমাপন কৰিবৰ মনেৰে সমুদ্ৰৰ পানীলৈ নামিবলৈ ধৰাত তাত থকা বৃদ্ধ ব্ৰাহ্মণসকলে অৰ্জুনক পানীলৈ নামিবলৈ নিষেধ কৰি বাধা দিলে।

দক্ষিণসমুদ্ৰতটত সৌভদ্ৰ তীৰ্থৰ বাহিৰেও — পালোমা, কাৰণ্ডৱ, প্ৰসন্ন আৰু ভৰদ্বাজ তীৰ্থ আছিল আৰু বিগত এশ বছৰ ধৰি এই তীৰ্থক্ষেত্ৰস্থ সমুদ্ৰত কোনো তীৰ্থযাত্ৰীয়ে স্নানাদি কৰা নাছিল। এই ঘটনাৰ একমাত্ৰ কাৰণ আছিল—সমুদ্ৰতটলৈ সঘনে আহি থকা প্ৰকাণ্ড কুম্ভীৰ।

অৰ্জুনে সেই বৃদ্ধ ব্ৰাহ্মণসকলৰ কথা মনযোগেৰে শ্ৰৱণান্তে স্থিৰ কৰিলে যে কেৱল কুম্ভীৰৰ ভয়ত এই তীৰ্থসমূহৰ সমুদ্ৰত স্নানাদি নকৰাৰ অৰ্থ হ'ল লাজলগা পৌৰুষ-হীনতা।

গতিকে — অৰ্জুনে বাধা নামানি সমুদ্ৰৰ পানীলৈ নামিলগৈ।

আৰু লগে লগে এক বিশাল কুম্ভীৰে অৰ্জুনৰ ভৰিত কামুৰি ধৰি পানীৰ গভীৰৰপৰা গভীৰলৈ টানি লৈ যাবলৈ চেষ্টা কৰি থাকিল।

কিন্তু অৰ্জুনে সেই কুম্ভীৰক টানি আনি পাৰলৈ উঠাই যেতিয়া দলিয়াই পেলালে, আৰু তেতিয়া অকস্মাৎ সেই কুম্ভীৰ এক অসামান্যা সুন্দৰী লৈ

ৰূপান্তৰিতা হৈ পৰিল।

এই ঘটনাত তাত উপস্থিত থকা ব্ৰাহ্মণসকল আৰু স্বয়ং অৰ্জুনো হতভম্ব হৈ পৰিল।

অৰ্জুনে সেই সুন্দৰীক সুধিলে, "তুমি কোন? কি কাৰণে তুমি কুম্ভীৰ হৈ আছিলা? আৰু—কুম্ভীৰ গুচি এই ৰূপ পালা কেনেকৈ?"

সেই সুন্দৰীয়ে অৰ্জুনক ক'লে, "মই এজনী অপ্সৰী। মোৰ নাম বৰ্গা। মোৰ চাৰিজনী সখি আছে— সিহঁতৰ নাম যথাক্ৰমে সৌৰভী, সমীচি, পছা আৰু লতা। সেই কেইজনীও আন চাৰিখন তীৰ্থৰ সমুদ্ৰত এনেকৈ শাপগ্ৰস্তা হৈ কুম্ভীৰৰ জীৱন যাপি আছে। মোৰে সৈতে য'লক, মোক উদ্ধাৰ কৰাদি সিহঁতকো—সিহঁতকেইজনীকো উদ্ধাৰ কৰিব।"

"শাপগ্ৰস্ত হোৱাৰ হেতু কি আছিল? অৰ্জুনে সুন্দৰীক সুধিলে।

"এদিন আমি পাঁচোজনীয়ে অনাই-বনাই ফুৰি থাকোঁতে এগৰাকী তপস্বীক তপস্যামগ্ন হৈ থকা দেখি—হঠাৎ আমাৰ মূৰত এক দুষ্ট বুদ্ধি উপস্থিত হ'ল—এই তপস্বীৰ তপস্যা ভংগ কৰিব লাগে। নানান ধৰণে নাচি-গাই চিঞৰি-বাখৰি খলক লগাই, নানান উৎপতীয়া কাণ্ড কৰি তেওঁৰ তপস্যা ভংগ কৰিলোঁ, কিন্তু তেওঁ ক্ৰুদ্ধ হৈ আমালৈ এই অভিশাপ দিলে।



পাছত আমি তেওঁৰ চৰণত পৰি কান্দি কান্দি অভিশাপ ঘূচাই ল'বলৈ কোৱাত তেওঁ ক'লে যে কমেও এশ বছৰলৈ কুম্ভীৰৰ জীৱন যাপিবই লাগিব, তাৰ পাছত কোনোবাই যদি তোমালোকক পাৰলৈ উঠাই আনি পাৰতে দলিয়াই পেলায় — তেতিয়া তোমালোকে তোমালোকৰ পূৰ্বৰূপ ঘূৰাই পাবা।

গতিকে — মোক যেনেকৈ উদ্ধাৰ কৰিলে, দয়া কৰি মোৰে সৈতে ৰ'লক, আন চাৰিজনীকো উদ্ধাৰ কৰিবগৈ।"

এই অপ্সৰীৰ অনুৰোধত অৰ্জুনে সেই চাৰিজনী শাপগ্ৰস্তাকো উদ্ধাৰ কৰি পুনৰ মণিপুৰ ৰাজ্যলৈ উভতি গ'ল আৰু তাত চিত্ৰাঙ্গদাৰ সৈতে বাস কৰি থাকিল। কালক্ৰমে চিত্ৰাঙ্গদা গৰ্ভৱতী হৈ এটি পুত্ৰ প্ৰসৱ কৰিলে। এই পুত্ৰটিৰ নাম আছিল বভ্ৰুবাহন।

তাত গন্থড় নামৰ যাদৱ এজনৰ সৈতে অৰ্জুনৰ চিনাকি হ'ল। এই যাদৱে— কৃষ্ণৰ ভনীয়েক সুভদ্ৰাৰ সৌন্দৰ্য্যৰ কথা অৰ্জুনক ক'লে। সুভদ্ৰাৰ সৌন্দৰ্য্যৰ কথা অৰ্জুনে আগতেও শুনিছিল। কিন্তু এইবাৰ — যাদৱৰ সুভদ্ৰা-বৰ্ণন শুনি অৰ্জুনৰ মনত সুভদ্ৰাক চাবলৈ যোৱাৰ বাবে তীব্ৰ ইচ্ছা উপজিল।

যাদৱসকল আছিল যতীসকলৰ প্ৰতি অৰ্থাৎ সন্যাসী সকলৰ প্ৰতি অতি ভক্তিমান। এই কাৰণে অৰ্জুনেও যতীৰ বেশ-বাস ধাৰণ কৰি তেতিয়াই দ্বাৰকালৈ বুলি ওলাল।

আৰু ইতিমধ্যে দ্বাৰকাবাসীয়ে এই কথা সম্যকৰূপে জানিলে যে তীৰ্থযাত্ৰী অৰ্জুন প্ৰভাস তীৰ্থ হৈ দ্বাৰকালৈ আহিব ধৰিছে।

কৃষ্ণই প্ৰভাসতীৰ্থলৈ গৈ অৰ্জুনক লগ ধৰিলে আৰু ক'লে, "অৰ্জুন, কিয়নো তুমি এনেহেন বৈৰাগ্য বেশ ধাৰণ কৰিলা?"

অৰ্জুনে তেওঁৰ অন্তৰৰ কথা কৃষ্ণক

দেখি—সঁচা যতী, অৰ্থাৎ সন্যাসী বুলি লৈ নম্ৰভাৱে সুধিলে, "হে সাধু! আপুনি কোন কোন তীৰ্থক্ষেত্ৰলৈ গ'ল? কোন কোন পুণ্যস্থান পৰিদৰ্শন কৰিলে? ইয়াত কিমান দিনলৈ থাকিব?"

অৰ্জুনে ক'লে, "মই ইয়াতে চতুৰ্মাস্য অতিবাহিত কৰিম। অৰ্থাৎ—এই শুক্ল পক্ষৰপৰা কাৰ্তিকমাহৰ শুক্লপক্ষলৈকে।"

বলৰামে অৰ্জুনৰ কাষত বহি থকা কৃষ্ণক ক'লে, "সুভদ্ৰাৰ গৃহৰ কাষৰীয়া লতা-গৃহত এইগৰাকী যতীৰ থকা-মেলাৰ বন্দৰস্ত কৰা হওক। এই বিষয়ে তোমাৰ মতামত কি?"

কৃষ্ণই ক'লে, "এই যতী—যতীয়েই—তথাপি দেখাত অতি মনোহৰ, আমাৰ সুভদ্ৰাও সুন্দৰী। গতিকে — সুন্দৰে সুন্দৰীক বা সুন্দৰীয়ে সুন্দৰক দেখা পাই যদি কিবাখন হৈ যায়—তাৰ দায়িত্ব কোনে ল'ব?"

"শুনা, সকলোকে সন্দেহৰ দৃষ্টিৰে দেখাটো বৰ উচিত কথা নহয়। এই-গৰাকী যতীৰ কাৰণে সুভদ্ৰা-গৃহয়েই যথোচিত ধাম।" বলৰামে দৃঢ়তাৰে ক'লে।

তেতিয়া কৃষ্ণই এনেহেন ভাও দিলে যে—ককায়েকে কৈছে যেতিয়া—তেওঁ ককায়েকৰ কথাত কেতিয়াও অমান্তি ক'লে। কৃষ্ণই অৰ্জুনৰ মনোভাৱলৈ স্বীকৃতি জ্ঞাপন কৰিলে আৰু অৰ্জুনক বৈৰতাকাদ্ৰিত থকা-মেলাৰ বন্দৰস্ত কৰিবলৈ তালৈ লৈ গ'ল। তাত কৃষ্ণ আৰু অৰ্জুনে অতি মনোৰম পৰিবেশত সুখাদ্য খাই সুপেয় পান কৰি সুগীতাদি শ্ৰৱণ কৰি থাকিল। আৰু তাৰ পাছত—অৰ্জুনক তাত এৰি থৈ কৃষ্ণ দ্বাৰকালৈ বুলি উভতি গ'ল।

কিছুদিনৰ অন্তত অৰ্জুনে বৈৰতাকাদ্ৰি এৰি দ্বাৰকাৰ এক সুৰম্য উদ্যানবনত থাকিবলৈ ল'লে। তাত এদিন বলৰাম প্ৰমুখ যাদৱ কেইগৰাকীমানে যতী অৰ্জুনক

সেৱা কৰি থাকিল। যতীৰূপী অৰ্জুনৰ কোনো প্ৰকাৰৰ অসুবিধা নহ'ল। আৰু ইমান সেৱা-যত্ন পাই অৰ্জুনৰ মনত ইন্দ্ৰপ্ৰস্থলৈ ঘূৰাৰ ইচ্ছা লুপ্ত হ'ল।

আৰু সুভদ্ৰাৰ মনৰ অৱস্থাও তথৈবচ হৈ উঠিল। যতী অৰ্জুনৰ প্ৰতি সুভদ্ৰা ক্ৰমাত আকৃষ্ট হৈ পৰিল আৰু সুভদ্ৰাই কৃষ্ণৰ ওচৰতো যতী অৰ্জুনৰ প্ৰশংসা পঞ্চমুখে কৰিবলৈ ধৰিলে।

সুভদ্ৰাই সৰুৰেপৰাই শুনি আছিল যে যাদৱসকলে তেওঁলোকৰ পুত্ৰসৰুক অৰ্জুনহেন হ'বলৈ কৈছিল। আৰু সেই কাৰণে, ডাঙৰ হৈ সুভদ্ৰাই মনে মনে অৰ্জুনহেন বা অৰ্জুনকে পতিৰূপে পাবলৈ অভিলাষী হৈছিল। যদি কেতিয়াবা কোনোবা ইন্দ্ৰপ্ৰস্থৰপৰা ইয়ালৈ আহিছিল, তেতিয়া সুভদ্ৰাই অৰ্জুনৰ কথা সুধিছিল আৰু একমনে শুনিছিল।

এদিন অৰ্জুন যেতিয়া অকলশৰীয়া হৈ আছিল, তেতিয়া সুভদ্ৰাই যতী অৰ্জুনক সুধিলে, "হে যতী, আপুনি কোন কোন তীৰ্থক্ষেত্ৰলৈ পৰিভ্ৰমণ কৰিলে? আপুনি কেতিয়াবা ইন্দ্ৰপ্ৰস্থলৈ গৈছিলনে? আমাৰ মাহীদেউ কুন্তীদেৱীৰ কুশল মংগল ক'ব পাৰিবনে? ধৰ্মৰাজ আৰু অন্যসকলৰ কুশলনে? বিশাল নেত্ৰ আৰু

হ'ব নোৱাৰে।

অৰ্জুনক সুভদ্ৰাৰ লতা-গৃহলৈ লৈ যোৱা হ'ল। কৃষ্ণই কেৱল ৰুক্মিণী আৰু সত্যভামাক সঁচা কথাখিনি ক'লে। তাৰ পাছত সুভদ্ৰাক তেওঁ ক'লে, "ভনীটি, যতী এগৰাকীক তোমাৰ লতা-গৃহত ৰাখিলোঁ। তুমি আৰু তোমাৰ সখিসকলে তেওঁৰ সেৱা-যত্ন কৰি থাকিবা, অলপৈচান ধৰি থাকিবা। তেওঁক যি লাগে যত লাগে দিবা, তেওঁৰ স্নানাহাৰলৈ দৃষ্টি দিবা। যতীসকলক সেৱি কত যে যাদৱ-কন্যাই যোগ্য বৰ পোৱা হৈছে—!"

কৃষ্ণই কোৱামতেই সুভদ্ৰাই অৰ্জুনৰ

দীৰ্ঘ বাহুযুক্ত অৰ্জুনক আপুনি কেতিয়াবা দৰ্শন কৰিব পাৰিছেনে ? তেওঁ এগৰাকী অতি পৰাক্ৰমী আৰু অচিন্তপূৰ্ব অজেয় বীৰ বুলি শুনিছোঁ।"

অৰ্জুনে ক'লে, "ইন্দ্ৰপ্ৰস্থত--কুন্তীদেৱী, দ্ৰৌপদী, আৰু অন্য অন্য পাণ্ডৱো কুশলতে আছে। আৰু—তেওঁলোকে নজনাকৈ অৰ্জুনে যতী-বেশ ধাৰণ কৰি সম্প্ৰতি সুভদ্ৰাৰ সমুখতে আসীন হৈ আছে। তুমি অৰ্জুনক যিমানখিনি পাবলৈ বিচাৰিছা, অৰ্জুনে তোমাক তাতোকৈ অধিককৈ পাবলৈ বিচাৰিছে। মই তোমাক বিবাহ কৰি জীৱনৰ লগৰী কৰি জীৱন সাৰ্থক কৰিম।

লাজত তলমূৰ হৈ সুভদ্ৰা তাৰপৰা ওলাই গ'ল।

উভয়ৰ মনোভাৱৰ উমান লৈ, কৃষ্ণই এইবাৰ অৰ্জুনৰ সেৱা-যত্নৰ দায়িত্ব ৰুক্মিণীক দিলে, কিয়নো, অৰ্জুনৰ পৰিচয় পোৱাৰ পাছৰেপৰাই সুভদ্ৰাজনী প্ৰেম-বলিয়াহেন হৈ উঠিছিল, আহাৰ-নিদ্ৰা প্ৰায় পৰিত্যাগ কৰিছিল।

দেৱকীয়ে পুত্ৰী সুভদ্ৰাক কৈছিল, "হাৰে পাগলীজনী, কিয়নো এনেহেন কৰিছা ? তোমাৰ ইচ্ছা পূৰণৰ বাবে মই যত্নপৰ হ'ম।"

দেৱকীয়ে সুভদ্ৰাৰ সকলো কথা পতি বসুদেৱে উগ্ৰসেন, অক্ৰূৰ আৰু আন কিছুমান মান্যগণ্য যাদৱ লোকক ক'লে, আৰু তাৰ পাছত কৃষ্ণৰপৰা সম্মতি লাভ কৰি অৰ্জুনৰ সৈতে সুভদ্ৰাৰ বিবাহৰ দিনক্ষণ উলিয়ালে।

অৰ্জুন-সুভদ্ৰাৰ বিবাহৰ উৎসৱ দ্বাদশ দিৱসলৈকে চলি থাকিল। সেই অঞ্চলৰ আবালবৃদ্ধবনিতাই এই বিবাহ-উৎসৱত যোগ দিছিল আৰু ভোজভাত খাই তৃপ্ত হৈছিল, আৰু অৰ্জুন-সুভদ্ৰালৈ আন্তৰিক আশীৰ্বাদ জ্ঞাপন কৰিছিল। [আগলৈ

চান্দ-সম্বাদ

ছয়চল্লিছৰ ছুঁয়ামৰা !

অন্যতম আন্তৰ্জাতিক বিশেষজ্ঞ আনোৱাৰ ফৈজলৰ বক্তব্য হ'ল যে—আমাৰ পৃথিৱীৰ আয়ুস মাত্ৰ ৪৬। শুনাত বলিয়াৰ বলকনি যেন লগা

নাইনে? বিজ্ঞানীবৰ্গ ই জানে আৰু মানে যে এই পৃথিৱী ৪৬,০০০ লাখ বছৰৰ আগেয়ে সৃষ্টি হৈছিল। আমি সহজে বুজিবপৰাকৈ ৪৬ বুলি কোৱা হয়। সম্প্ৰতি বেংগলুৰুত. অৰ্থাৎ বাংগালোৰত এক বিজ্ঞানী-সন্মিলনত আনোৱাৰ ফৈজল ছাহাবে কৈছে যে : "আমাৰ পৃথিৱী-সম্বন্ধীয় জ্ঞান তেনেই কম। আমি যিখিনি জানিছোঁ—সেইখিনি মাত্ৰ যোৱা চাৰি বছৰৰ আগৰখিনি। ডায়নোছোৰাছ—এবছৰৰ আগলৈকো আছিল পৃথিৱীত, আমাৰ পৃথিৱীৰ হিমযুগৰ অন্ত পৰিল মাত্ৰ এসপ্তাহৰ আগতে, মানুহ ভূমিত বিচৰণ কৰিবপৰা হ'ল মাত্ৰ চাৰি ঘণ্টাৰ আগতে, কৃষিকৰ্মৰ আৰম্ভণ এঘণ্টাৰ আগতে। আৰু শিল্প-বিপ্লৱৰ বয়স হ'ল এমিনিট, যাঠি পলত পাঁচশ জাতি আৰু পশুজাতিৰ বিনাশ হ'ল।" এই বুলি কৈ, তেওঁ তেওঁৰ ভাষণ সমাপ্ত কৰিলে। এতিয়া ঠাৱৰ কৰিব পাৰিছাছেনে ৪৬ বছৰীয়া-ৰহস্য ?

পঢ়াশলীয়া বুঢ়া !

শিকাৰ বয়স নাই—এই কথাষাৰ প্ৰায়েই শুনা যায়। শিক্ষা হেনো জীৱনৰ অন্ত নপৰালৈকে চলি থাকে। অৱশ্যে—এই কথাৰ অৰ্থ এয়া নহয় যে তিনিকাল গৈ একালত লাগিলেও পুনৰ ফলি কাষলতিত লৈ পঢ়াশালিলৈ যাব লাগিব। পিছে—সম্প্ৰতি ব্ৰাজিলত অৱস্থা প্ৰায় তেনেকুৱাই হৈছে। সেই দেশৰ বুঢ়া বুঢ়া ৰাজনীতিবিদে বাস্তৱ জ্ঞান তথা সামাজিক তথা আইনগত জ্ঞান আহৰণ কৰিবলৈ ১২০ গৰাকী সাংসদে এক সংসদীয় পঢ়াশালিলৈ যোৱা হৈছে ; কিয়নো—যদিও তেওঁলোকে জন-প্ৰতিনিধিৰূপে নিৰ্বাচিত হৈছে, তথাপি এইবোৰৰ—বিশেষকৈ আইনগত আৰু আৰ্থিক জ্ঞান নাই ! আমাৰ দেশতো বন্দ্‌বস্ত হ'বনে বাৰু ?

ছাত্ৰৰ হ'ল অধ্যাপকৰো অধ্যাপক !

আমেৰিকাৰ বৈমানিক দলৰ ক্যাপ্‌টিন স্কাৰ অ' গ্ৰেডি আছিল ১৯৯১ চনত বিমান-শিক্ষালয়ৰ ছাত্ৰ। দুবছৰৰ এক শান্তি-সুৰক্ষাদলৰ সৈতে বিমান চলাই বছনিয়ালৈ যাওঁতে শত্ৰুপক্ষই বিমানলৈ গুলীউৰাত বিমানখন তললৈ বাগৰি পৰিল, আৰু যি দুৰ্গম ঠাইত বিমানখন পৰিল, সেই ঠাইডোখৰৰ বিষয়ে গ্ৰেডিৰ কোনো ধাৰণা নাছিল। তেওঁ বহু কষ্ট কৰি নিজক ৰক্ষা কৰি ছয়দিনৰ অন্তত এক নিৰাপদ ঠাই পালেগৈ। তেতিয়া এশ বিমান-অধ্যাপক তেওঁৰ কাষ চাপিল এই কথাটি জানিবলৈ যে—তেওঁ ধ্বংসপ্ৰাপ্ত বিমানৰপৰা নিজক ৰক্ষা কৰিবলৈ কি উপায় অৱলম্বন কৰিছিল। এই বিমান-অধ্যাপকসকলৰ মাজত তেওঁৰ নিজৰ অধ্যাপকো ভালে কেইগৰাকীমান আছিল। এইদৰে ছাত্ৰ হোৱা সত্বেও অধ্যাপকৰ অধ্যাপক হৈ পৰিল !

পেদিনা

ভাগ্যদেৱতাৰ প্ৰিয় পুষ্প পেদিনা—এই কথা অতীতকালত কোৱা হৈছিল, এতিয়াও ঠায়ে ঠায়ে কোৱা হয় হেনো। সত্যস্বৰূপ মহাবিষ্ণুৰ প্ৰিয় বৰণ হ'ল শ্বেত, অৰু সেই শ্বেত চিহ্ন এই পুষ্পত স্পষ্টৰূপে বিদ্যমান। বাংলা ভাষাত এই পুষ্পৰ নাম 'নাগবলী', তামিলত 'বৈল্লৈল্লৈ', মালয়ালমত 'পো বা ধো লী', মৰাঠীত 'ভুটকেশ' আৰু তেলুগুত 'নাগবল্লি' বুলি কোৱা হয়। বৃক্ষবিদ্যাত এই পুষ্পৰ নাম 'মুস্পিণ্ডা ফ্ৰাণ্ডোছা'। জনশ্ৰুতি : বালক কৃষ্ণ মথুৰাত পৰিভ্ৰমণ কৰি থাকোঁতে এই পুষ্প দেখা পাই মোহিত হৈছিল। মথুৰা আৰু ভৰতপুৰৰ মাজত এই পুষ্প অধিকভাৱে পৰিলক্ষিত হয়। পশ্চিমবংগৰ দাৰ্জিলিং অঞ্চলত, দক্ষিণভাৰতৰ নীলগিৰিৰ আশে-কাষে এই পুষ্প অধিক পৰিদৃষ্ট।

এই পুষ্পৰ বৃক্ষ ছয় মিটাৰলৈকে ওখ হয়, পাতবোৰ ডাঠ সেউজীয়া, আৰু সেউজীয়া পাতৰ ঠিক মাজত এক শ্বেত-চিহ্ন বিদ্যমান।

এই বৃক্ষৰ পাতবোৰ এযোৰকৈ ওপজে, বাৰ ছেনটিমিটাৰলৈকে দীঘল ডিম্বাকৃতি পাত হয়। পাত উপৰিভাগ ডাঠ সেউজ, কিন্তু তলৰ ভাগ পাতল সেউজ তথা কলপতীয়া বৰণৰ।

এই পুষ্পৰ ভিতৰকাল কমলা বৰণৰ। পুষ্পকোষত চাৰিটি সৰু সৰু পাত পৰিদৃষ্ট হয়। এইবোৰ পাতৰ মাজত এটি পাত ফুল ফুলোঁতে ডাঙৰ আকৃতি লয়। এই পুষ্পৰ মালাৰে মন্দিৰদ্বাৰ আৰু অন্যান্য পৱিত্ৰ স্থান সাজোৱা হয়। এই পুষ্পবৃক্ষৰ পাতৰপৰা শিপালৈকে উল্লেখযোগ্য ঔষধিগুণ বিদ্যমান।

ভাৰতৰ ঋষিকুল—৯

দুৰ্বাসামুনি

ত্ৰিপুৰাসুৰক সংহাৰৰ কাৰণে পৰমশিৱই যি বাণ সৃষ্টি কৰিছিল, সেই বাণ—সংহাৰৰ অন্তত যেতিয়া পুনৰ পৰমশিৱৰ কোলালৈ আহিল, তেতিয়া শিৱই সেই বাণক মৰমতে মানৱ-শিশুলৈ পৰিৱৰ্তিত কৰিছিল। এই মানৱ-শিশুটিয়েই ডাঙৰ হৈ দুৰ্বাসা নামে খ্যাত হৈছিল।

যিহেতু আদিতে সংহাৰৰ কাৰণে সৃষ্ট হৈছিল, সিহেতুকে মানৱ হোৱা সত্বেও সেই সংহাৰ-গুণ সম্পূৰ্ণ লুপ্ত নহৈছিল। সেইহে দুৰ্বাসা মুনিৰ ক্ৰোধ অতি অধিক। অতি সৰু-সুৰা কথাতো দুৰ্বাসা মুনি ক্ৰোধিত হৈ উঠিছিল, কিন্তু পৰিস্থিতিৰ সম্যক বুজ লোৱাৰ পাছত তৎক্ষণাৎ শান্ত হৈছিল।

আমাৰ পুৰাণগাথাত দুৰ্বাসামুনিৰ উল্লেখ উল্লেখণীয়। দুষ্মন্ত-শকুন্তলা-ঘটিত কাহিনীভাগত আমি পাওঁ যে—শকুন্তলা কণ্বমুনিৰ আশ্ৰমত পালিতা হৈছিল আৰু ৰজা দুষ্মন্তই তাত শকুন্তলাক—কণ্বমুনি আশ্ৰমত নথকা সত্বেও—বিবাহ কৰিছিল আৰু তাৰ পাছত—শকুন্তলাক তেওঁৰ ৰাজধানীলৈ যাবলৈ কৈ দুষ্মন্ত আশ্ৰম এৰি গুচি গৈছিল। এনেতে দুৰ্বাসা মুনি কণ্বমুনিৰ আশ্ৰমলৈ আহিল। কিন্তু শকুন্তলা তেতিয়া পতি দুষ্মন্তৰ চিন্তাত মগ্ন হৈ থকাত দুৰ্বাসাৰ আগমনৰ কথা নাজানিছিল। দুৰ্বাসাই ভাবিলে যে—শকুন্তলাই জানি-বুজিয়েই তেওঁলৈ উপেক্ষা প্ৰদৰ্শন কৰিলে। তেতিয়া তেওঁ শকুন্তলাক এই অভিশাপ দিলে যে যাৰ চিন্তাত তাই মগ্ন, সেইজনেই তাইক পাহৰি থাকিব, চিনিও নাপাব। শকুন্তলাৰ সখিয়েকসকলে দুৰ্বাসামুনিক অভিশাপ ফিৰাই ল'বলৈ কাবৌ-কোকালি কৰাত দুৰ্বাসামুনি কিছু কুমলিল আৰু অভিশাপ পৰিপূৰ্ণভাৱে ফিৰাই নল'লে, যদিও বহুখিনিলৈকে কোমল কৰি দিলে।

বহু দিনৰ পাছত শকুন্তলাই যেতিয়া শিশু-পুত্ৰটিক লৈ ৰজা দুষ্মন্তৰ কাষ চাপিছিল, তেতিয়া দুষ্মন্ত ৰজাই পোনতে শকুন্তলাক চিনি নাপাই অস্বীকাৰ কৰিছিল, যদিও কিছু সময়ত পাছত চিনি পাইছিল, আৰু যথোপযুক্ত ব্যৱস্থা লৈছিল শকুন্তলাৰ বাবে।

এইদৰে, আনকি শ্ৰীকৃষ্ণৰ সৈতেও দুৰ্বাসা-মুনিৰ খকা-খুন্দা লাগিছিল, আৰু পাছত যেতিয়া শান্ত হৈছিল, তেতিয়া দুৰ্বাসা মুনিয়ে তেওঁৰ ক্ৰোধ পৰিহাৰ কৰি শ্ৰীকৃষ্ণক বুকুত আঁকোৱালি লৈ তেওঁক যথোচিত বৰ দান কৰিছিল।

দুৰ্বাসামুনি যদিও অতি ক্ৰোধী আছিল, তথাপি দুৰ্বাসামুনিৰ অন্তঃকৰণ আছিল অতিকোমল আৰু পবিত্ৰ—এই কথাত সকলো একমত।

জা নি ব ল গী য়া

১. প্ৰথম মহাকাশচাৰী কোন আছিল ?
২. ম্যাকমেহন সীমাৰেখাৰ অৰ্থ কি ?
৩. তিমিংগিল কিমান ডাঙৰ হয় ?
৪. পৃথিৱীত কিমান জ্বলন্ত আগ্নেয়গিৰি আছে ?
৫. ভাৰতৰ মহাকাশ সন্থা (ইস্ৰা) কেতিয়া স্থাপিত হৈছিল ?
৬. ক্যাঙ্গাৰুৱে কিমানলৈকে জঁপিয়াব পাৰে ?
৭. পেনিছিলিন কেতিয়া আৰু কোনে আৱিষ্কাৰ কৰিছিল ?
৮. 'যন্তৰ-মন্তৰ' কি ?
৯. ব্ৰাহ্মসমাজৰ সংস্থাপক কোন ?
১০. ৰবীন্দ্ৰনাথে কেতিয়া ন'বেল-বঁটা পোৱা হৈছিল ?
১১. ২৫০০০ আগেয়ে গৌতম বুদ্ধই বৌদ্ধধৰ্ম প্ৰচাৰ কৰিছিল কোন উদ্যানবনৰপৰা ?
১২. আমাৰ দেশৰ এখন প্ৰতিষ্ঠানত অত্যধিক সংখ্যাত শ্ৰমিক কৰ্মৰত, ইমান ডাঙৰ প্ৰতিষ্ঠান পৃথিৱীত আৰু নাই। এই প্ৰতিষ্ঠানৰ নাম কি ?
১৩. কস্তুৰবাৰ সমাধি ক'ত অৱস্থিত ?
১৪. শেষ মোগল বাদশ্বাহ কোন আছিল ?
১৫. আমাৰ দেশত কেতিয়া সৰ্বপ্ৰথম ডাক-টিকেট প্ৰচলিত হৈছিল ?
১৬. 'এছীয় ক্ৰীড়া' ক'ত আৰম্ভ কৰা হৈছিল। চ্যাম্পিয়ন কোন হৈছিল ?

জা ন ক

১. জন হেচ্ গ্লেন।
২. ভাৰত আৰু তিব্বতৰ সীমান্তৰেখা।
৩. মতা তিমিংগিল আটাইতকৈ ডাঙৰ। ২০ ফুট দীঘল, ওজন ২০০ টন।
৪. প্ৰায় ৮৫০।
৫. ১৯৬৯ চনত।
৬. একেজাঁপে ৬—৯ মিটাৰলৈ।
৭. বৃটেইনৰ আলেগছান্দৰ ফ্লেমিং, ১৯২৮ চনত।
৮. অম্বৰ-ৰাজ জয়সিংহ-নিৰ্মিত মহাকাশ পৰ্য্যবেক্ষণ মন্দিৰ।
৯. ৰাজা ৰামমোহন ৰায়।
১০. ১৯১৬ চনত।
১১. বাৰাণসীৰ সমীপস্থ সাৰনাথৰপৰা।
১২. ভাৰতীয় ৰেলওৱে, প্ৰায় বিছ লাখ কৰ্মী।
১৩. পুনাৰ আগাখান ভৱনৰ প্ৰাংগণত, তেওঁৰ ইয়াতে মৃত্যু হৈছিল।
১৪. বহাদুৰশ্বাহ জাফৰ।
১৫. ১৮৫৮ চনত।
১৬. ১৯৫১ চনত ; জাপান।

বাঘতকৈয়ো শক্তিমান

উগ্ৰসেন আছিল অতি খ্যাতিমান বীৰ। তৰোৱাল-যুঁজত যে উগ্ৰসেনৰ সমান কোনো-ক'তো নাই—নোলাব, সেই কথত দ্বিমত হোৱা কোনো নোলাব। কত কত দেশৰ কত নামজলা বীৰ উগ্ৰসেনৰ সৈতে যুঁজি নাম কিনিবলৈ আহি নাক উলিয়াব নোৱৰা হৈ নাকত কপোৰ দি গুচি গৈছে!

উগ্ৰসেন থকা গাঁৱৰে—মহানন্দ নামৰ তৰোৱাল-যুঁজাৰু যুৱকৰ আশা—যেনে-তেনে উগ্ৰসেনক পৰাজিত কৰি চূণ-খাৰ কৰিব। মহানন্দই যোগ্য গুৰুৰ ওচৰত তলোৱাৰ-যুঁজৰ পাঠ ল'লে। আৰু যোগ্যতাৰে শিক্ষা সাং কৰিলে। কিন্তু হ'ল কি হ'ল—উগ্ৰসেন উগ্ৰসেনেই থাকি গ'ল, আৰু মহানন্দই আনন্দই আনন্দৰে সদায় হাৰি ভূত হৈ থাকিল।

মহানন্দৰ আনন্দ যেতিয়া একেবাৰে নোহোৱা হ'ল, তেতিয়া এদিন এক সাধুৰে মহানন্দক ক'লে, "মোক যিজনে পেটপুৰাই খুৱাব, মই সেইজনৰ অসাধ্য ইচ্ছাও পুৰাম।"

মহানন্দই সাধুক পেট পূৰাই খুৱালে আৰু তাৰ পাছত নিজৰ ইচ্ছাৰ কথা ক'লে, "হে মহাত্মা! তৰোৱাল-যুঁজত কোনো যেন মোতকৈ ডাঙৰ নোলায়। মোৰ আন কোনো ইচ্ছা নাই।"

সাধুৱে তেওঁৰ জোলোঙাৰপৰা কিবা এডাল শিপাৰ টুকুৰা উলিয়াই আনিলে আৰু মহনন্দক ক'লে, "হোঁ, লোৱা। এই শিপাটুকুৰা চোবাই খোৱা, দেহ-মনত নতুন শক্তি পাই থাকিবা। তাৰ পাছত—

বিজয় বৰ্মন

জগতৰ আটাইতকৈ ডাঙৰ তৰোৱাল-যুঁজাৰুকো—কমেও এবাৰলৈ পৰাজিত কৰিব পাৰিবা, আৰু বাদবাকীবোৰক পৰাজিত কৰাটো হ'ব তোমাৰ বাঁওহাতৰ কেঞা আঙুলিৰ খেল।"

মহানন্দই ভাবি থাকিল : উগ্ৰসেনতকৈ ডাঙৰ তৰোৱাল-যুঁজাৰু কোনো নাই। তেওঁক যদি কেনেবাকৈ এবাৰ পৰাজিত কৰিব পাৰোঁৱেই — তেনেহ'লে আন-বিলাকে মোৰ বিৰুদ্ধে যুঁজ দিবলৈ আনকি কাৰো দাঁতেই নহ'ব। কিন্তু—সঁচাসঁচিকৈ উগ্ৰসেনক—মই চূণৰ চৰুত হাত দি অহাই চূণ-খাৰ কৰিব পাৰিমনে?

সাধুৱে মহানন্দৰ সন্দেহ গুচাবলৈ ক'লে. "তুমি যদি নিজৰ বাহুবলেৰে—স্বয়ংশক্তিৰে উগ্ৰসেনক হৰুৱাব পাৰা—তেনেহ'লে আগলৈ তুমি প্ৰায় অজেয় হৈ থাকিবা. তেনেহ'লে এই শিপাই দৰাচলতে কোনো গুণ নিদিব, ব্যৰ্থ হ'ব।"

মহানন্দই সাধু-প্ৰদত্ত শিপাৰ টুকুৰাটো চোবাই খালে. আৰু সেই মুহূৰ্তৰেপৰাই দেহত এক নতুন বল-শক্তি তথা মনত নবীন উৎসাহো অনুভৱ কৰিলে।

তাৰ পাছত মহানন্দ উগ্ৰসেনৰ বাসস্থানলৈ বুলি আগ বাঢ়িল।

বাটত এজন বুঢ়া মানুহক লগ পালে মহানন্দই, মানুহজনে ক'লে যে তেওঁ মহানন্দকে বিচাৰি ওলাইছে. মহানন্দ হেনো কিছু ক'বলগীয়া আছে তেওঁৰ। কথাই কথাই বুঢ়া মানুহজনে মহানন্দক ক'লে যে—তেওঁ উগ্ৰসেনক হৰুৱাৰপৰাকৈ মহানন্দক কিছুমান বিশেষ কিটিপ শিকাই দিব, আৰু তাৰে মহানন্দই উগ্ৰসেনক অন্ততঃপক্ষে এবাৰকৈ হ'লেও পোতনি-থেকেচা দিব পাৰিব। পিছে—এই প্ৰশিক্ষণৰ বাবে তেওঁক এশ মুদ্ৰা দিব লাগিব।

মহানন্দই ক'লে, "কিন্তু যদি আপোনাৰ কথা সঁচা নহয়— তেতিয়া?"

"তেতিয়া তোমাৰপৰা মই মুদ্ৰা এশ নলওঁ, বৰঞ্চ মইহে তোমাক এশ মুদ্ৰা দিম।" মানুহজনে খাৰাংখাচ কৈ দিলে।

এই মানুহজনে যে মহানন্দক উগ্ৰসেনৰ বিৰুদ্ধে উদগাইছে কিয়—সেই ৰহস্য মহানন্দই কেনেকৈ জানিব ? আচল কথা আছিল উগ্ৰসেনৰ সৈতে বন্দৰস্তী চুক্তি—এই মানুহজনৰ লগত। উগ্ৰসেন এদিন এই মানুহজনক কৈছিল যে পৰাজিত হোৱাৰ সোৱাদ — জীৱনত এবাৰলৈ হ'লেও চাকি চাবৰ বৰ মন। পিছে—সেই পৰাজয় যাৰে-তাৰে হাতত হ'লে নহ'ব, যোগ্য প্ৰতিদ্বন্দ্বী হ'ব লাগিব।

তেতিয়াৰেপৰাই বুঢ়া মানুহজনে মহানন্দকে উগ্ৰসেনৰ বিৰুদ্ধে যোগ্য প্ৰতিদ্বন্দ্বী হিচাপে ভাবি থৈছিল, আৰু আজি মহানন্দক উদগাইছিল।

আৰু বুঢ়া মানুহজনৰপৰা কিছুখিনি কিটিপ-কাটাপ শিকি লৈ, এদিন মহানন্দই উগ্ৰসেনৰ বিৰুদ্ধে যুঁজিবলৈ তৰোৱাল খাপৰপৰা উলিয়ালে। ভয়ংকৰ যুদ্ধ হ'ল —একেবাৰে নাইগুৰাহটী-নাই ৰঙা-মাটিহেন—তয়া ময়াখন লাগি পৰিল, আৰু শিপাৰ প্ৰভাৱেৰেই হওক বা বুঢ়াৰ কিটিপেৰেই—মহানন্দই এই পোনবাৰৰ বাবে উগ্ৰসেনক বেয়াকৈ পৰাজিত কৰি চূণ-খাৰ পৰিব পাৰিলে।

এই মহা-যুঁজ চাবলৈ তাত গোট খোৱাহঁতে এনে ফলাফল কল্পনাও কৰিব পৰা নাছিল। দৰ্শকহঁতে এনে অবিশ্বাস্য ফলাফললৈ চাই দাঁতৰ তলত আঙুলি ভৰাই দিলে। আৰু মহানন্দ এদিনতে মহানন্দ গুচি মহাবীৰ হৈ উঠিল, মহাবীৰ মহানন্দক চাবলৈ তেতিয়া দহোখন গাঁৱৰ মানুহ ঢপলিয়াই আহিল।

আৰু এই লণ্ডভণ্ড প্ৰচণ্ড কাণ্ডৰ কথা শুনি অন্যান্য যুঁজাৰুহঁতেও মহাবীৰ মহানন্দৰ কাষ চাপিল। এওঁলোকেও আগতে মহানন্দক হেলাৰঙেই পৰাজিত

কৰিছিল। এওঁলোকৰ এতিয়া বক্তব্য হ'ল যে—উগ্ৰসেন নিশ্চয় কিছু শক্তিহীন হৈছে, নহ'লে — উগ্ৰসেনৰ আগত মহানন্দনো কি ? এটা মাখিও নহয়।

কিন্তু অ'ৰ-ত'ৰপৰা ঢপলিয়াই অহা-ইঁতৰো ইচ্ছা হ'ল — কমেও এবাৰ উগ্ৰসেনক পৰাজিত কৰিব। এতিয়া এই ইচ্ছাৰ পূৰণ—সম্ভৱ যেনেই লাগিল এওঁলোকৰ। এওঁলোকে যুঁজৰ বাবে উগ্ৰসেনলৈ আহ্বান জনোৱাত উগ্ৰসেনে অতি শান্ত-কোমল কণ্ঠেৰে ক'লে, "জীৱনৰ প্ৰথম পৰাজয়ে মোক অস্থিৰ কৰি তুলিছে, মোৰ আত্মবিশ্বাসত নিদাৰুণ-নিকৰুণ আঘাত দিছে। যুঁজিবাই যদি—মহানন্দৰ বিৰুদ্ধে যুঁজাগৈ।"

তেতিয়া এইসকলে যুঁজিলে, আৰু আটাইবিলাকেই বেয়াকৈ হাৰিলে। এওঁলোকে বঢ়িয়াকৈ বুজি পালে যে এই মহানন্দ সেই মহানন্দ নহয়, এই মহানন্দ বেলেগ। এওঁলোকে মহানন্দক ক'লে : 'হে বীৰশ্ৰেষ্ঠ, জগতত উগ্ৰসেনতকৈয়ো ডাঙৰ বীৰ আছে বুলি আমি সৌ সিদিনালৈকো ভাবিবই পৰা নাছিলোঁ। এতিয়া আমি মুক্ত কণ্ঠেৰে কৈছোঁ, জগতত আপুনিয়েই বীৰশ্ৰেষ্ঠ।"

এওঁলোকৰ কথাত মহানন্দৰ মহানন্দ

হ'ল। কিন্তু লগতে মহানন্দৰ মনত এই সন্দেহো উপজিল : উগ্ৰসেনৰ মাজত বোধ-কৰোঁ সঁচাকৈয়েই আগৰ বীৰতা নাই। আৰু মোৰ হাতত পৰাজয়ত তেওঁৰ আত্মবিশ্বাসো বোধ কৰোঁ টুটি আহিল। এতিয়া সাধাৰণৰো সাধাৰণ যুঁজাৰুৰ লৈতে যুঁজিবলৈকো তেওঁ কিজানি ভয়েই কৰিছে।

মহানন্দই আৰু ভাবিলে : ৰাইজে নিশ্চয়-ভাবিবযে মহানন্দই আগৰ শক্তিমান উগ্ৰসেনক্ নহয়, এতিয়াৰ শক্তিহীন উগ্ৰসেনকহে পৰাজিত কৰিলে। যদি ৰাইজৰ মনৰপৰা এনেবোৰ ধাৰণা

শুচাৰ লাগে, তেনেহ'লে আনবিলাকৰ বিৰুদ্ধে যুঁজিবলৈ উগ্ৰসেনক উদগাব, আৰু সিহঁতক উগ্ৰসেনে পৰাজিত কৰিলেহে হ'ব। তেতিয়াহে ৰাইজে মানিব—মই মহানন্দ প্ৰকৃততেই মহাবীৰ।

এই কামতো সহায় কৰি দিবলৈ মহানন্দাই সেই বুঢ়া মানুহজনৰ সহায়তা প্ৰাৰ্থনা কৰাত সেই মানুহজনে হোহোৱাই হাঁহি মাৰি ক'লে, "উগ্ৰসেনে সেইবিলাকৰ বিৰুদ্ধে কদাপি নুযুঁজিব। পিছে—তোমাৰ বিৰুদ্ধে হয়তো তেওঁ পুনৰ এবাৰ যুঁজিব পাৰে।"

মহানন্দই মহাদম্ভৰে দপদপালে, "তেওঁ মোৰ হাতত এবাৰ হাৰিলেই।"

"শুনা, তেওঁ হাৰিল মানে—ইচ্ছা কৰিয়েই হাৰিছিল—পৰাজয়ৰ তিতা-জলা সোৱাদ ল'বলৈ। তেওঁক প্ৰকৃতপক্ষে পৰাজিত কৰাৰ শকতি তোমাত নাই—নহ'বও।" বুঢ়া মানুহজনে সঁচাৰ দুৱাৰ খুলি দিলে মহানন্দৰ আগত।

"মোৰ মাজত বিজয়ৰ বীজ আছে। গতিকে—পুনৰ যুঁজিলেও ময়েই বিজয়ী হ'ম।" মহানন্দই দৰ্পৰে ক'লে।

"কিন্তু এটা কথা তুমি বোধকৰোঁ নাজানা যে—উগ্ৰসেনে তোমাতোকৈ শক্তিশালী শিপা খালে। গতিকে—জগতত কোনেওতেওঁক কদাপিও পৰাজিত কৰিব নোৱাৰে।"

শুনি আচৰিত মানি মহানন্দই সুধিলে, "সেই সাধুজনে—উগ্ৰসেনকো সেই দৈৱী শিপা দিলেনে?"

বুঢ়া মানুহজনে ধীৰ কণ্ঠেৰে স্থিৰ ভাবে ক'লে, "নহয়, সাধুৱে দিয়া নাই, দিলা — তুমিয়েই। জানি থোৱা—পৰাজিত যুঁজাৰু—বাঘতকৈও শক্তিমান।"

মহানন্দই এই সঁচাৰো সঁচা কথাটো ভাবি চালে, আৰু কথাটো মনে-চিতে মানি লৈ বিজ্ঞতাৰ চিন দাড়ি ধৰিলে।



ন্যায়-বিচাৰৰ গুৰিকথা

বহু বহু দিনৰ আগৰ কথা, তেতিয়া কাশ্মীৰৰ ৰজা আছিল সুকেতনসিংহ, শ্ৰীনগৰ আছিল তেওঁৰ ৰাজধানী, শ্ৰীনগৰৰ পৰা বহু দূৰত ন্যায়িলা নামৰ এখন সৰু সহৰত এগৰাকী ন্যায়াধীশ আছিল, যিগৰাকী ন্যায়াধীশৰ নাম কেৱল কাশ্মীৰৰ চুকে-কোণেই নহয়, আনকি দেশ-বিদেশলৈকো বিয়াপি পৰিছিল।

এইগৰাকী ন্যায়াধীশৰ নানান কথা শুনি শুনি মহাৰাজ সুকেতনৰ মন গ'ল— এদিন নিজেই তালৈ গৈ সেই ন্যায়াধীশ-গৰাকীৰ ন্যায় নিৰ্ণয় স্বচক্ষে চাই স্বকৰ্ণে শুনি স্ববুদ্ধিৰে জানি আহিব।

ভবা মতেই, পাছ দিনা ধলপুৱাতে, সাধাৰণৰো সাধাৰণ কাপোৰ-কানি পিন্ধি, ঘোঁৰাত উঠি, সাধাৰণ নাগৰিকৰ বেশত মহাৰাজ গৈ থাকিল সেই ন্যায়িলা নামৰ সৰু সহৰখনলৈ।

গৈ গৈ যেতিয়া ন্যায়িলা পাওঁ পাওঁ, তেতিয়া, এজন খোঁৰা মগনিয়াৰক সামান্য পৰিমাণৰ খুচুৰা পইচা দিলে। কিন্তু মগনিয়াৰজনে মহাৰাজৰ পিছে নেৰিলে।

"মই হাটলৈ যাম, আজি হাটবাৰ। মোকো তোমাৰ ঘোঁৰাত উঠাই লোৱা, দৌতাহে!" ঘোঁৰা দেখি খোঁৰা মগনিয়াৰে কাতৰি ক'লে।

"ঠিক আছে, উঠা তেন্তে—।" ৰজাই খোঁৰা মসনিয়াৰক ঘোঁৰাত উঠাই ল'লে।

যেতিয়া হাট পাওঁ পাওঁ হ'ল, তেতিয়া মহাৰাজে মগনিয়াৰক ক'লে, "হাট পালোঁহিয়েই, নামি যোৱা।"

মগনিয়াৰে মহাৰাজক ক'লে, "আগতে

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'



কথা চৰবাই বিশ্বাস কৰিব।”

“ঠিক আছে, ব'লা তেন্তে বিচাৰকৰ ওচৰলৈ। চাওঁ, তাত ন্যায়বিচাৰ পাওঁনে নাপাওঁ।” মহাৰাজে ক'লে।

এই ঘটনাৰ ন্যায়-বিচাৰ সেই ন্যায়াধীশে কেনেকৈ কৰিব —মহাৰাজে স্বচক্ষে চাব স্বকৰ্ণে শুনিব ; গতিকে তেওঁ ঘোঁৰাত উঠি গৈ থকা মগনিয়াৰটোৰ পিছে পিছে খোজ দি দি গৈ থাকিল সেই ন্যায়াধীশৰ ওচৰলৈ।

তেতিয়া অন্য এক অভিযোগৰ বিচাৰ চলি আছিল।

এজনী বোবা তিৰোতাৰ গৰাকী কোন—এয়ে আছিল বিচাৰৰ মূল কথা কথা। কাকতী আৰু হালোৱা—উভয়ৰে দাবী, ঃ এইজনী তিৰোতা তাৰ।

ন্যায়াধীশে হুয়োজনক ক'লে, তোমালোকে এইজনীক আজি মোৰ ইয়াত এৰি থৈ যোৱা, কাইলৈ আহিবা, তেতিয়া তেতিয়া মোৰ ৰায় দিম।”

তাৰ পাছত আন এক অভিযোগ-প্ৰত্যাভিযোগৰ বিচাৰ আৰম্ভ হ'ল। এই বিচাৰৰ বিষয়বস্তু আছিল—এজন তেলী আৰু কচাইৰ মাজত। কাজিয়াৰ বিষয় আছিল অনেক পৰিমাণৰ ধাতৰ মুদ্ৰা। ন্যায়াধীশৰ প্ৰশ্নৰ উত্তৰত তেলীয়ে ক'লে,

—তুমি নামাচোন—।”

নামি মহাৰাজে মগনিয়াৰটোক ক'লে, “হোঁ, মোৰ হাতত ধৰি নামি আহাঁ।”

“কিয় নামিম ? মোক ঘোঁৰাৰপৰা নামি আহিবলৈ কোৱাৰ তুমিনো কোনহে ?” মগনিয়াৰটোৱে মকমকালে।

“কি কৈছা! ঘোঁৰাটো —তোমাৰ কেতিয়াৰপৰা হ'ল ? এইখন নগৰত যে এগৰাকী শ্ৰেষ্ঠ ন্যায়াধিকাৰী আছে— জাননে নাজানা ?” মহাৰাজে ক'লে তাক।

“শ্ৰেষ্ঠ বা নিকৃষ্ট—কোনো ন্যায়াধিকাৰীয়েই মোৰ একো কৰিব নোৱাৰিব। মই ঘোঁৰা বুলিহে ঘোঁৰা লৈছোঁ—এই-

"এই কচায়ে মোৰ ওচৰলৈ আহি মোক ক'লে যে—এটা সোণৰ মোহৰ খুচুৰা কৰি দিওঁ যদি—মোৰপৰা সি তেল কিনিব। মোৰ ওচৰত যিমান ভঙনীয়া আছিল, মই গন্তি কৰি থাকিলোঁ। তেতিয়া, সি মোৰ ভঙনীয়াখিনি মোৰপৰা কাঢ়ি ল'লে আৰু ক'লে যে সেইখিনি তাৰ। দয়া কৰি আপুনি এই অনিয়ায়ৰ বিচাৰ কৰি দিয়ক।"

ন্যায়াধিকাৰীৰ প্ৰশ্নৰ উত্তৰত কচায়ে ক'লে, এই কথা সঁচা যে মই তেওঁৰ ওচৰত তেল কিনিবলৈ গৈছিলোঁ। জেপত কিমান মুদ্ৰা আছে—জেপৰপৰা মুদ্ৰা উলিয়াই গন্তি কৰি থাকোঁতেই এই মানুহজনে মোৰ হাতখনত থাপ মাৰি ধৰিছিল আৰু মোৰ মুদ্ৰাখিনিকে তেওঁৰ মুদ্ৰা বুলি কৈছিল, হুজুৰ!"

ঠিক আছে, মুদ্ৰাখিনি মোৰ ওচৰত থাকক, কালিলৈ আহিবা, মই বিচাৰৰ ৰায় শুনাম।" ন্যায়াধিকাৰীয়ে ক'লে।

তাৰ পাছত বিচাৰত উঠিল—ঘোঁৰা কাৰ, খোঁৰা মগনিয়াৰৰনে এই আগন্তুকৰ।

ন্যায়াধিকাৰীৰ প্ৰশ্নৰ উত্তৰত আগন্তুকৰূপী মহাৰাজে ক'লে "মাননীয় বিচাৰপতি! মই এজন শ্ৰীনগৰনিবসী, কিছুখিনি বিশেষ বিশেষ বয়-বস্তু কিনিবৰ



মনেৰে মই ন্যায়িলাৰ সাপ্তাহিক হাটলৈ ঘোঁৰাত উঠি আহি থাকোঁতে বাটত এইজন খোঁৰা ভিক্ষাজীৱিয়ে মোৰপৰা ভিক্ষা খুজিলে, ভিক্ষা দিলোঁ, তাৰ পাছত মোৰ ঘোঁৰাত উঠি হাটলৈ আহিব খোজাত মই যদিও দ্বিধান্বিত হৈছিলোঁ, তথাপি খোঁৰা বুলি করুণাবশ উঠাই ল'লোঁ। পাছত—যেতিয়া হাট পালোঁহি, তেতিয়া এওঁক নামিবলৈ কোৱাত এওঁ মোকেই প্ৰথমতে নামিবলৈ ক'লে, আৰু এওঁক ঘোঁৰাৰ পিঠিৰপৰা নমাত সহায় কৰিবলৈ মই নামি আহিলোঁ। তাৰ পাছতেই এওঁ অন্য মূৰ্তি ধৰিলে আৰু

ক'লে যে ঘোঁৰাটো তেওঁৰ।"

মগনিয়াৰে ক'লে, "মই খোঁৰা, গতিকে—ঘোঁৰা মোৰ সৰ্বক্ষণৰ লগৰীয়া। মই ভিক্ষাৰ মনেৰে হাটলৈ আহোঁতে এজন অচিনাকি মানুহে খোজ কঢ়াত কষ্টৰ কথা কৈ, মোক টানি অনুৰোধ কৰাত এওঁক মই মোৰ ঘোঁৰাত উঠাই লৈ এতিয়া এই বিপদত পৰিছোঁ, এওঁ এতিয়া কৈছে যে ঘোঁৰাটো হেনো এওঁৰ। দয়া কৰি বিচাৰ কৰি দিয়ক।"

ন্যায়াধিকাৰীয়ে মুহূৰ্তমানলৈ ভাবি চালে, আৰু তাৰ পাছত ক'লে, "ঘোঁৰাটো আজি মোৰ ঘোঁৰাশালত থাকক, তোমালোক দুয়োজনেই কালিলৈ আহিবা, মই বিচাৰ কৰি ঘোঁৰাৰ মালিক কোন—স্থিৰ কৰি দিম।"

পাছদিনা সকলোটিয়েই আহিল। ন্যায়াধিকাৰীয়ে কাকতীক ক'লে, "আপোনাৰ পত্নীক আপুনি লৈ যাওক। আৰু মিছলীয়া হালোৱাক পঁচিছটা সৌকাৰ কোৰ দিয়া হওক।"

দ্বিতীয় মকৰ্দমাত—কচাইক ন্যায়ধিকাৰীয়ে ক'লে, "মুদ্ৰাখিনি আপোনাৰেই মুদ্ৰা, লৈ যাওক।" আৰু তেলীক সৌকাৰ ত্ৰিছ কোব দিয়াৰ আদেশ দিলে।

তাৰ পাছত ঘোঁৰা-মকৰ্দমাত আগন্তুক আৰু মগনিয়াৰক ন্যায়াধিকাৰীয়ে ক'লে, "যিটো ঘোঁৰাৰ বিষয়ে আপোনালোকৰ অভিযোগ-প্ৰত্যাভিযোগ, সেই ঘোঁৰাটোক ঘোঁৰাশালাত বাইছটা ঘোঁৰাৰ মাজত বান্ধি থোৱা হৈছে। প্ৰথমেই আগন্তুকে তেওঁৰ ঘোঁৰাটো বিচাৰি উলিয়াওকগৈ।"

এই বুলি কৈ, স্বয়ং ন্যায়াধিকাৰীও আগন্তুকৰ লগে লগে ঘোঁৰাশালালৈ গ'ল, আৰু আগন্তুকৰ কাম শেষ হোৱাৰ পাছত তেওঁ আগন্তুকক ক'লে, "আপুনি সেই ভিক্ষাজীৱিক আহিবলৈ কওঁকগৈ।"

ভিক্ষাজীৱিও আহিল, আৰু তাৰ পাছত ন্যায়াধিকাৰী ঘোঁৰাশালৰপৰা পুনৰ

বিচাৰসভালৈ গৈ আগন্তুকক ক'লে, "ঘোঁৰাটো আপোনাৰেই, আপুনি লৈ যাওক, ঘোঁৰা আপোনাৰেই।" আৰু তাৰ পাছত মগনিয়াৰক সৌকাৰ দহ কোব দিবলৈ আদেশ দি বিচাৰসভা ভংগ কৰিলে।

সকলোটি বিচাৰসভা এৰি গুচি গ'ল, কেৱল আগন্তুকৰূপী মহাৰাজ তাত থাকিল। ন্যায়াধিকাৰীয়ে আগন্তুকক সুধিলে, "আপুনি—কিবা ক'বনে?"

আগন্তুকৰূপী মহাৰাজে ক'লে, "আপোনাৰ বিচাৰৰ ধাৰা কি—সেই কথা জানিবলৈ মই কৌতূহলী হৈ পৰিছোঁ। বিচাৰ যে নিখুঁত ন্যায়বিচাৰৰ গুৰিকথাহে হৈছে, মোৰ কণমাত্ৰো সন্দেহ নাই। কিন্তু—এই ন্যায়বিচাৰৰ গুৰিকথাহে মই বুজি পোৱা নাই।"

"বুজাই দিছোঁ।" ন্যায়াধিকাৰীয়ে হাঁহি হাঁহি ক'লে, "তিৰোতাজনীক মই মোৰ কাপত চিয়াহী ভৰাবলৈ কৈছিলোঁ, ইমান সুন্দৰকৈ ভৰালে যে—কোনো হালোৱাৰ পৰিবাৰে তেনেকৈ নিশ্চয় কৰিব নোৱাৰে। গতিকে—প্ৰমাণ হৈ গ'ল যে তিৰোতাজনী কাৰ। মুদ্ৰা—তেলীৰ হোৱাহেঁতেন মুদ্ৰাত নিশ্চয় তেল লাগি থাকিলহেঁতেন। মই পানীত মুদ্ৰাখিনি জুবুৰিয়াই থৈছিলোঁ, কিন্তু সামান্যমান তেলও ভাহি উঠা নাছিল। গতিকে—যাৰ মুদ্ৰা তাক—সেই কচাইক ঘূৰাই দিলোঁ। আৰু ঘোঁৰাৰ বিচাৰত—ঘোঁৰাক কোনে চিনি পায়—সেয়া আচল কথা নাছিল যে—ঘোঁৰাই কাক চিনি পায়। আৰু মই নিজেই ঘোঁৰাশালত উপস্থিত থাকি এই কথাৰ বিশদ প্ৰমাণ চাই আপোনাৰ ঘোঁৰাটো আপোনাকে ঘূৰাই দিছিলোঁ।"

পাছত মহাৰাজে এই গৰাকী ন্যায়াধীশক যথোচিত সন্মানিত কৰিছিল।



ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ১০০ টকা

পুৰস্কৃত নাম ১৯৯৬ চনৰ মাৰ্চ সংখ্যাত প্ৰকাশিত হ'ব।

S.G. Shesagiri

S.G. Shesagiri

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দকেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। প্ৰতিযোগিতা 'কোন মাহৰ বাবে' তাৰ উল্লেখ অৱশ্যেই থাকিব লাগিব। ১৯৯৬ চনৰ জানুৱাৰি মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ১০০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)
CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026

১৯৯৫ চনৰ নভেম্বৰ মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : চাই মইনাহঁতৰ ফন্দি
দ্বিতীয় ফটো : হ'ল দুলদিলীয়া হস্তী

পৰমা শইকিয়া, সৰভোগ, অসম।

[পুৰস্কাৰৰ ১০০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব।]

ভাৰতত বছৰেকীয়া বৰঙনি চান্দমামা ৬০.০০ টকা মাথোন

বৰঙনিৰ ধন তলৰ ঠিকনালৈ পঠাব লাগিব :

Dolton Agencies, Chandamama Buildings, Vadapalani, Madras-600 026

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

PARLE

আমি কাহানিও পাহৰা নাই... যতদিন আছোঁ জীয়াই



জীয়াই থকাৰ এয়াই সঠিক উপায়।

জীৱনৰ বাটে-পথে প্ৰতি খোজেই পৰীক্ষা লয়। কেনিনো আগুৱাম, কেনি পিঠি দিম, তাৰেই আমাৰ পৰিচয়। নিবিছৰাকৈ, নোখোজাকৈ কাৰোবালৈ সহায়ৰ হাত বঢ়োৱা, জীৱন-পথত এনেয়েই আনৰ কামৰ সমভাগী হোৱা... ইয়াকেইতো কয়, সচাঁ মনেৰে জীয়াই থকা। আমি কাহানিও পাহৰা নাই... যতদিন আছোঁ জীয়াই, জীয়াই থকাৰ এয়াই সঠিক উপায়।

বছৰ বছৰ ধৰি ভাৰতত আটাইতকৈ বেচি বিছৰা বিস্কুট।



• সোৱাদ ভৰা, সঁচা শক্তি ভৰা। •

everest/95/PPL/109 as

CHANDAMAMA (Assamese) January 1996 Regd. No. TN / MS (S) 87

শিক্ষকৰ মনপচন্দৰ

অপ্সৰা বিউটি পেন্সিল

বিউটি

বণ্ডেড লেড ★ এইচবি পেন্সিল